*সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...*

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ১২ সংখ্যা, ৫ চ'ত , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

*RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 12 * Date Of Publication - 20 March 2022 Rs.10.00/-*

## অসমবাসী ৰাইজলৈ ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালৰ ফালৰ পৰা ৰঙৰ উৎসৱ ফাকুৱাৰ আন্তৰিক হিয়াভৰা শুভেচ্ছা




## আৰক্ষীয়ে ধৰ্মনিৰপেক্ষভাৱে অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা লৈ আছেঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- সদনত ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক প্ৰস্তাৱক লৈ চলা আলোচনাৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদনত গ্ৰহ বিভাগৰ ওপৰতো আলোচনা হৈছে ২০২১ চনৰ জানুৱাৰী মাহত ৰাজ্যখনত ৮, ৬৬১টা গোচৰ আৰক্ষী থানাত বন্ধ্দ হৈছিল। এই বছৰ জানুৱাৰী মাহত ৰাজ্যখনত ৭, ৭০৬টা গোচৰ আৰক্ষী থানাত ৰুজু হৈছে। সেইদৰে যোৱা বছৰৰ ফেব্ৰুৱাৰী মাহত আৰক্ষী থানাত ৮, ৯৪১টা গোচৰ ৰুজু হয়। এই বছৰ ফেব্ৰুৱাৰী মাহত ৫, ৪২৫টা গোচৰ ৰুজু হৈছে। গড় হিচাপত চালে ২০২১ত ১১ হাজাৰ আৰু ২০২২ত ৬, ৫০০টা গোচৰ ৰুজু হৈছে। এনকাউন্টাৰক কোনোৱে সমৰ্থন নকৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই বিৰোধীক সমালোচনা কৰি কয় যে ধৰ্ষিতা ছোৱালীৰ বাবে আমি কান্দিম নে ধৰ্ষণকাৰী ল'ৰাজনৰ হৈ কান্দিম? তিনি কিলোগ্ৰাম হেৰ'ইন কঢ়িয়াই লৈ অহা এজন যুৱক আৰক্ষীৰ জিম্মাৰ পৰা পলাবলৈ চেষ্টা কৰি গুলীবিদ্ধ হোৱা ঘটনাটোক লৈ ব্যস্ত হ'ব নে সেই হেৰ'ইনখিনিয়ে দুহেজাৰ ল'ৰা-ছোৱালীক ধ্বংস কৰাৰ বিষয়টোক লৈ উদ্বিগ্ন হ'ব? হত্যাকাৰী, ধৰ্ষণকাৰী, ড্ৰাগছ সৰবৰাহকাৰীৰ পিছত বিৰোধী কিয় বাৰে বাৰে থিয় হয় বুলি প্ৰশ্ন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে যোৰহাটত নিৰীহ যুৱক এজনক হত্যা কৰা ক'লা ল'ৰা এজন হিন্দু ল'ৰা। মৰিগাঁৱৰ লাহৰীঘাটৰ পাঠাই এজনী ছোৱালীক মৃত্যুৰ পিছতো আকৌ ধৰ্ষণ কৰিছিল। সেই জঘন্য ধৰ্ষণকাৰী পুৰুষজনো মুছলমান আৰু ছোৱালীজনীও মুছলমান।সদনত মুখ্যমন্ত্ৰী ড° শৰ্মাৰ স্পষ্ট কথা- আৰক্ষীয়ে ধৰ্মনিৰপেক্ষভাৱে অপৰাধীৰ বিৰুদ্ধে ব্যৱস্থা লৈ আছে। হিন্দু, জনজাতি, মুছলমান সম্প্ৰদায়ৰ লোকৰ ওপৰতো অপৰাধৰ ক্ষেত্ৰত আৰক্ষীয়ে ব্যৱস্থা লৈছে। কিন্তু হিন্দু, জনজাতি বিধায়কসকলে তেওঁলোকৰ সম্প্ৰদায়ৰ অপৰাধীৰ পক্ষ লোৱা নাই। আৰক্ষীয়ে কাৰোবাক যদি গুলীয়াইছে, আইনৰ মাজেদি গুলীয়াইছে। চিআৰপিচিয়ে দিয়া ক্ষমতা অনুসৰি কাম কৰিছে। বৰ্তমানৰ চৰকাৰখনে সম্পূৰ্ণ ধৰ্মনিৰপেক্ষতাৰে কাম-কাজ কৰি অহাৰ বিষয়ে উনুকিয়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে প্ৰধানমন্ত্ৰীৰ আৱাস যোজনা, অৰুণোদয় আদিৰ সুবিধাও অন্যান্য

*( তিনিপৃষ্ঠাত চাওক)*


## সম্পাদকীয়ঃ

## ৰঙৰ উৎসৱ ফাকুৱা




ফাগুন আৰু চ'তৰ পূৰ্ণিমা তিথিত উৎযাপন কৰা হয় ৰংৰ উৎসৱ ফাকুৱা। এই ফাকুৱা আমাৰ অসমত প্ৰথম পাতনি মেলিছিল শ্ৰীমন্ত শংকৰদেৱে। মাত্ৰ চৰবছৰ বয়সতে তেখেতে শ্ৰীকৃষ্ণৰ লীলা সমাজৰ আগলৈ লৈ অনাৰ মানসেৰে আৰু কৃষ্ণৰ লীলা জনসমাজত প্ৰচাৰ আৰু প্ৰসাৰ কৰাৰ বাবে বৰদোৱাৰ পাতেকীবাৰিত দৌল উৎসৱৰ পাতনি মেলিছিল। গুৰুজনাই পাতনি মেলোৱা এই ফাকুৱাই যেন জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোৰে জীৱনলৈ কঢ়িয়াই আনক অনাবিল আনন্দ। সকলোকে ফাকুৱাৰ শুভেচ্ছা জনালো।

## ভাৰতত যোৱা ২৪ ঘণ্টাত ২,০৭৫ জন লোক আক্ৰান্ত



ৰঙিলী বাৰ্ত্তাসেৱা- স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি ভাৰতত যোৱা ২৪ ঘণ্টাত ২,০৭৫ জন লোক নতুনকৈ কৰ'নাত আক্ৰান্ত হৈছে। নতুনকৈ ৭১জন লোকৰ নতুনকৈ কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হৈছে। আৰু ৩,৩৮৩ জন লোক কৰ'নাত সংক্ৰমণৰ পৰা সুস্থ হৈ উঠিছে। দেশখনত কৰ'নাত আক্ৰান্ত হৈ মৃত্যু হোৱা মুঠ লোকৰ সংখ্যা ৫,১৬,৩৫২ জনলৈ বৃদ্ধি হৈছে। আনহাতে সক্ৰিয় ঘটনাবোৰ ২৭, ৮০২ লৈ হ্ৰাস পাইছে।

# সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সংবাদ মেল

ৰঙিলী বাৰ্ত্তাসেৱা- ১৯১২ চনত প্ৰতিষ্ঠা লাভ কৰা সদৌ অসম কোচ ৰাজবংশী সন্মিলনী অসমৰ প্ৰাচীন সৰ্ববৃহৎ জাতীয় সংগঠন। এই সন্মিলনী প্ৰতিষ্ঠা কালৰ পৰাই নিজস্ব সংবিধানৰ আধাৰত পৰিচালিত হৈ আহিছে। সন্মিলনীৰ সংবিধান অনুসৰি পৰিচালিত স্বাভিমানী জাতীয় সংগঠনটো সম্প্ৰতি সাংবিধানিক সংকটৰ গৰাহত পৰিছে। এই কথা সদৰি কৰে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে। দিছপুৰ প্ৰেছ ক্লাবত সংগঠনটোৱে অনুষ্ঠিত কৰা সংবাদ মেলত সভাপতি মহেন্দ্ৰ ডেকা, মহিলা সন্মিলনীৰ সভানেত্ৰী ছন্দা সিংহ তালুকদাৰে কয়- সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সংবিধান অনুসৰি সন্মিলনীৰ দ্বি-বাৰ্ষিক অধিৱেশনখন বন্ধ সভাগৃহৰ ভিতৰত প্ৰতিধিনিত্ব মূলক সাধাৰণ সভাই সৰ্বসন্মতভাৱে প্ৰস্তাৱ গ্ৰহণ কৰে আৰু পৰৱৰ্তী দ্বি বাৰ্ষিকৰ বাবে



নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰে। সেই অনুসৰি ২০২১ বৰ্ষৰ ২০ ফেব্ৰুৱাৰীত টংলাৰ ভেৰগাওঁত সন্মিলনীৰ ভাৰপ্ৰাপ্ত সভাপতি দিলীপ কুমাৰ বৰা আৰু সাধাৰণ সম্পাদক ৰঞ্জিত কুমাৰ ৰায়ৰ আহ্বান ক্ৰমে অনুষ্ঠিত ৩০ সংখ্যক দ্বি-বাৰ্ষিক অধিৱেশনত অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিক নিমন্ত্ৰণ কৰাই প্ৰতিনিধি সভাৰ নামত আয়োজিত সভাত হাৰো উশৃংখল পৰিস্থিতি সম্পৰ্কত ইতিমধ্যে প্ৰচাৰ হৈছে। সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ স্ব-স্বীকৃত সভাপতি প্ৰণৱ নাৰায়ণৰ লগতে টংলাৰ ভেৰগাওঁ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাৰ সভাপতি দিলীপ কুমাৰ বৰাৰ বিৰুদ্ধে ইতিমধ্যে সন্মিলনীৰ ১১ গৰাকীকৈ জ্যেষ্ঠ সদস্য তথা ভেৰগাওঁ অধিৱেশনৰ প্ৰতিনিধি ক্ৰমে মহেন্দ্ৰ ডেকা, প্ৰকাশ দত্ত, কনক চন্দ্ৰ ৰায়, নাৰায়ন ৰাজবংশী, প্ৰদীপ কুমাৰ বৰা, ইন্দ্ৰমাহেন ডেকা, সতীশ মেধি, প্ৰবীন চন্দ্ৰ বৰা, কৈল্যাণ ডেকা, প্ৰবীৰ কুমাৰ বৰা, দিগন্ত ডেকাই ন্যায়লয়ৰ দ্বাৰস্থ হৈ ৫৫ ২০২২ আৰু ৫৭ ২০২২ নম্বৰৰ দুটাকৈ গাচেৰ আদালতত ৰুজু কৰিছে। সংবাদ মেলত যুটীয়া সম্পাদক দীপক বৰ্মন, নাৰায়ন ৰাজবংশী, সুবোধ তালুকদাৰ উপস্থিত থাকে।

# ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰৰ নিয়োগ মেলা

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ৰ দিব্যাংগসকলৰ ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰ, গুৱাহাটী আৰু অনুসূচীত জাতি জনজাতিৰ ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰ, গুৱাহাটীয়ে যুটীয়াভাৱে দিব্যাংগসকলৰ ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰৰ চৌহদত এখন নিয়োগ মেলা অনুষ্ঠিত হয়। দিব্যাংগসকলৰ ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰৰ অসম, নাগালেন্দ আৰু মেঘালয়ৰ প্ৰধান ৰাম কিশোৰ শৰ্মাই পৌৰোহিত্য কৰা অনুষ্ঠানত মুখ্য অতিথিৰূপে গুৱাহাটীৰ তেল শোধনাগাৰৰ জেনেৰেল মেনেজাৰ, এইছ আৰ চি এছ আৰ নৱজ্যোতি বৰাই অংশগ্ৰহণ কৰে।অনুষ্ঠানত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰে বিত্ত বিভাগৰ উপ মহাপ্ৰবন্ধক ভাস্কৰ মুখাৰ্জী, সহকাৰী প্ৰবন্ধক জিয়াযুৰ ৰহমান আৰু গুৱাহাটী তেল শোধনাগাৰৰ ইঞ্জিনীয়াৰিং চাৰ্ভিছৰ জ্যেষ্ঠ প্ৰবন্ধক দেৱদূত সেনে। অনুষ্ঠানত ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰৰ আঞ্চলিক নিয়োগ বিষয়া ৰঞ্জন চাংকাকতি, দিব্যাংগসকলৰ ৰাষ্ট্ৰীয় জীৱিকা সেৱা কেন্দ্ৰৰ মনোবৈজ্ঞানিক ড° ভেংকটেশ কুৰাকুল, ফৰমেন কে কে বৈশ্য, কেৰিয়াৰ এক্সপাৰ্ট ৰুণু ডেকা, এনএইচএফডিচিৰ নৰোত্তম দলে আদি উপস্থিত থাকে। উল্লেখ্য, বিভিন্ন বিভাগত প্ৰায় ২২৪টা পদৰ বাবে প্ৰাৰ্থী বিচাৰি নিয়োগ মেলাত অংশ লৈছিল। বিভিন্ন পদৰ বাবে শিক্ষাগত অৰ্হতা আছিল দশমমানৰ পৰা স্নাতক, লগতে উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ ডিপ্লমা।

# ৰাজনীতিৰ আশ্ৰয় লৈ ক্ষুদ্ৰ বাতৰি কাকতসমূহক ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰাৰ অভিযোগ



ৰঙিলী বাৰ্ত্তাসেৱা- লৰীকেন্দ্ৰিক ৰাজনীতিৰ আশ্ৰয় লৈ ক্ষুদ্ৰ বাতৰি কাকতসমূহক ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰাৰ অভিযোগ উত্থাপন কৰিছে অল ইন্দিয়া স্মল এন্দ মেডিয়াম নিউজপেপাৰছ ফেডাৰেশ্বন, আসাম ষ্টেট আৰু অল ইন্দিয়া স্মল নিউজপেপাৰছ এছ'চিয়েশ্বন, আসাম ষ্টেট, নৰ্থ-ইষ্ট জ'ন সংগঠন দুটাই। এক প্ৰেছ বিবৃতি যোগে উক্ত সংগঠন দুটাৰ সভাপতি দেৱজিৎ সৰকাৰ আৰু সভাপতি পন্দিত সঞ্জীৱ নাৰায়ন দাসে কয়-সোমবাৰৰ পৰা আৰম্ভ হৈছে অসম বিধানসভাৰ বাজেট অধিৱেশন। প্ৰতিবাৰে অনুষ্ঠিত হৈ অহা এনে অধিৱেশনত ৰাজ্যৰ সংবাদ মাধ্যমসমূহে বাতৰি পৰিৱেশন কৰি জনসাধাৰণক অৱগত কৰি আহিছে। এইক্ষেত্ৰত ব্যতিক্ৰম নহয় ৰাজ্যৰ ক্ষুদ্ৰ বাতৰি কাকতসমূহো। সীমিত পৰিসৰেৰে চলা এনে সংবাদ পত্ৰ সমূহে অসমৰ সংবাদ জগতত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। লগতে অসম বিধানসভাতো বাতৰি পৰিৱেশন কৰি গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰূপে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰি আহিছে। কিন্তু লক্ষণীয় বিষয়টো হ'ল যে চলিত বাজেট অধিৱেশনৰ বাবে বিধানসভা চৌহদৰ সাংবাদিক বীথিকাত প্ৰৱেশৰ ক্ষেত্ৰত ক্ষুদ্ৰ বাতৰি কাকতসমূহে প্ৰৱেশৰ ক্ষেত্ৰত ভীষণ সমস্যাত পৰিবলগীয়া হৈছে। উল্লেখ্য যে বিধানসভাৰ বীথিকাত প্ৰৱেশ কৰিবলৈ অসম বিধানসভাৰ অধ্যক্ষৰ নেতৃত্বত এখন প্ৰেছ ৰিপ'ৰ্টাৰ্ছ সমিতি আছে। এই সমিতিখনে সাংবাদিকসকলক প্ৰৱেশপত্ৰ প্ৰদানৰ বিষয়টো চোৱাচিতা কৰি আহিছে। এইবাৰ ক্ষুদ্ৰ বাতৰিকাকতসমূহক এই সমিতিয়ে বঞ্চনা কৰি আহিছে। ক্ষুদ্ৰ বাতৰি কাকতসমূহে বাৰম্বাৰ অনুৰোধ কৰাৰ পাছতো সমিতিয়ে নিজৰ সদস্যপদত নৰখাৰ উপৰিও সমিতিৰ সদস্যপদতো কোনো ক্ষুদ্ৰ কাকতৰ প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰা নাই। ইয়াৰ আঁৰৰ ৰহস্য কি সেয়া এতিয়া ক্ষুদ্ৰ বাতৰি কাকতৰ লগত জড়িত সাংবাদিক তথা সংবাদকৰ্মীসকলৰ মাজত প্ৰশ্নৰ উত্থাপিত হৈছে। অসম বিধানসভাৰ অধ্যক্ষৰ লগতে ৰাজ্যৰ মুখ্যমন্ত্ৰী তথা জনসংযোগ মন্ত্ৰীগৰাকীয়ে ক্ষুদ্ৰ বাতৰি কাকতসমূহক উদ্ধাৰ কৰাৰ বাবে যথেষ্টে সঁহাৰি প্ৰদান কৰিছে। কিন্তু কি অজ্ঞাত কাৰণত অসম বিধানসভাৰ প্ৰেছ ৰিপ'ৰ্টাৰ্ছ সমিতিয়ে ক্ষুদ্ৰ বাতৰি কাকত সমূহক ভাৰত চৰকাৰৰ আৰ এন আই বিভাগৰ পঞ্জীয়নভুক্ত হোৱাৰ পাছতো তথা অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ অনুমোদন থকাৰ পাছতো বঞ্চনা কৰিছে সেয়া ৰহস্যৰ আৱৰ্তত।

# ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ পৰীক্ষাপৰ্ব-স্বচ্ছতা পথৰাড়া উদ্‌যাপন

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগে পৰীক্ষাপৰ্ব -৪.০ উদযাপনৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ - ছাত্ৰীৰ বাবে পৰীক্ষাৰ ভয় আৰু ইয়াক অতিক্ৰম কৰাৰ উপায় সম্পৰ্কে এথনি ৱেবিনাৰ আজি অনুষ্ঠিত কৰে। আয়োগৰ সদস্য ফনিন্দ্ৰ বুজৰবৰুৱাৰ আদৰণি ভাষণেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটি আয়োগৰ অধ্যক্ষা ড° সুনীতা চাংকাকতিয়ে তেওঁৰ বিশেষ ভাষণত ছাত্ৰ - ছাত্ৰীসকলক উদ্দেশ্যে কৰি পৰীক্ষাৰ সময়ত ভীতিগ্ৰস্থ নহৈ সুস্থ মন- মগজুৰে তথা আনন্দ মনেৰে পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰিবলৈ আহ্বান জনায়। আনহাতে নিউজ লাইভৰ ৰাজনৈতিক সম্পাদক ছায়ামনি ভুএগ্ৰই ৱেবিনাৰখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আন এগৰাকী বক্তা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ডীন ড° দিব্যজ্যোতি মহন্তই ছাত্ৰ - ছাত্ৰীসকলক উপদেশ আগবঢ়ায়। ৱেবিনাৰখনত বিভিন্ন বিদ্যালয়ৰ প্ৰায় ২৬০ জন ছাত্ৰ - ছাত্ৰী অংশগ্ৰহণ কৰে। শেষত আয়োগৰ পৰামৰ্শদাতা মৃদুস্মিতা দত্তই উপস্থিত সকলোকে ৱেবিনাৰ খনৰ সফল সমাপ্তিৰ বাবে ধন্যবাদ জনায়। আনহাতে একেদিনাই স্বচ্ছতা পথৰাড়া -২০২২ৰ লগত সংগতি ৰাখি শিশুৰ স্বাস্থ্য আৰু কল্যাণমূলক আঁচনিসমূহৰ ওপৰত এখন অনলাইন পৰ্যালোচনা বৈঠক অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সৌজন্যত অনুষ্ঠিত কৰা হয়। আয়োগৰ সদস্যা ৰুপা হাজৰিকাৰ আদৰণি ভাষণেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত সমাজ কল্যাণ বিভাগৰ এম . আই . এছ . বিষয়া নন্দিৰ কৌৰে অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ শিশু কল্যাণ আঁচনিসমূহৰ বিষয়ে আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ শিশু স্বাস্থ্য পৰামৰ্শদাতা ড° দীপাংকৰ হাজৰিকাই অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ শিশু স্বাস্থ্য সম্পৰ্কীয় আচঁনি সমূহৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। আয়োগৰ অধ্যক্ষা ড° সুনীতা চাংকাকতিয়ে শিশু কল্যাণমূলক আঁচনি সমূহৰ কাৰ্যকাৰিতাত উপস্থিত সকলোকে গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনায়।

# বিদ্যুতৰ বিল বৃদ্ধিৰ বিৰোধিতা এছইউচিআইৰ



ৰঙিলী বাৰ্ত্তাসেৱা- অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে বিদ্যুতৰ মাচুল বৰ্তমানৰ প্ৰতি ইউনিটত ৭.৫৫ টকাৰ পৰিৱৰ্তে ৯.৫৫ টকা আৰু দৰিদ্ৰ লোকৰ বাবে প্ৰচলিত জীৱনধাৰা আঁচনিৰ অধীনৰ ৪.২৫ টকাৰ পৰিৱৰ্তে ৬.০০টকা অৰ্থাৎ প্ৰতি ইউনিটত ২.০০ টকা বৃদ্ধি কৰাৰ বাবে বিদ্যুৎ নিয়ামক আয়োগৰ ওচৰত যি প্ৰস্তাৱ দাখিল কৰিছে তাৰ তীব্ৰ বিৰোধিতা কৰিছে এছ ইউ চি আই (কমিউনিষ্ট)দলে। অসম ৰাজ্যিক কমিটীৰ সম্পাদক কমৰেড চন্দ্ৰলেখা দাসে এক প্ৰেছ বিবৃতি যোগে কয় যে বিদ্যুত বিভাগে দুবছৰে ক'ভিড পৰিস্থিতিত সৰ্বস্বান্ত হোৱা জনসাধাৰণক কিছু সকাহ দিয়াৰ পৰিৱৰ্তে বিদ্যুৎ মাচুল বৃদ্ধি কৰি তেওঁলোকৰ ওপৰতে আৰু এটা মাধমাৰ শোধাবলৈ ওলাইছে। বিদ্যুৎ পৰিষদৰ ওপৰমহলাৰ দুৰ্নীতি, অব্যৱস্থা, বিদ্যুতৰ অপচয়, মাথা গধুৰ প্ৰশাসন তথা বিভিন্ন চৰকাৰী বিভাগত অনাদায় হৈ থকা কোটি কোটি টকা আদায় নকৰি ধাৰ-ঋণ কৰি সময়মতে বিদ্যুৎ মাচুল আদায় দিয়া সাধাৰণ গ্ৰাহকৰ ওপৰতেই বব নোৱাৰা আৰু এটা নতুন কৰৰ বোজা জাপি দিব বিচাৰিছে ।কমৰেড দাসে এই মাচুল বৃদ্ধিৰ পৰিকল্পনা শীঘ্ৰ প্ৰত্যাহাৰ কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনোৱাৰ লগতে চৰকাৰৰ এই জনবিৰোধী পৰিকল্পনাৰ বিৰুদ্ধে তীব্ৰ গণ আন্দোলন গঢ়ি তুলিবলৈ সৰ্বস্তৰৰ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

# বিশিষ্ট সাহিত্যিকলৈ সাহিত্য পৰিষদৰ সন্মানীয় সদস্য সন্মান

ৰঙিলী বাৰ্ত্তাসেৱা- অসমৰ যশস্বী সংস্কৃত পণ্ডিত, সাহিত্যিক অধ্যাপক উমাকান্ত দেৱ শৰ্মা শাস্ত্ৰী, বিশিষ্ট গৱেষক- সাহিত্যিক কনক চন্দ্ৰ শৰ্মা আৰু মৰণোত্তৰভাৱে গৱেষক-পণ্ডিত অধ্যাপক ড° বাণীকান্ত শৰ্মালৈ অখিল ভাৰতীয় সাহিত্য পৰিষদ, অসমে পৰিষদৰ নিয়মাৱলী অনুসৰি দি অহা সৰ্বোচ্চ 'সন্মানীয় সদস্য সন্মান' এইবাৰ এই তিনিগৰাকী বিশিষ্ট ব্যক্তিক প্ৰদান কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সাহিত্য পৰিষদৰ ২ আৰু ৩ এপ্ৰিলত গুৱাহাটীৰ শিল্পগ্ৰামত হ'বলগীয়া পঞ্চম ত্ৰি -বাৰ্ষিক অধিৱেশনৰ সভাত উক্ত বিশেষ সন্মান প্ৰদান কৰা হ'ব। অসমৰ ভাষা- সাহিত্য-সংস্কৃতিলৈ বিশিষ্ট বৰঙনি আগবঢ়োৱা ড° প্ৰতাপ চন্দ্ৰ চৌধুৰী, শিৱ প্ৰসাদ বৰুৱা, ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, ৰাম নিৰঞ্জন গোৱেঙ্কা, যতীন গোস্বামী, অধ্যাপক ভৱপ্ৰসাদ চলিহা, ড° নবীন চন্দ্ৰ শৰ্মা, ড° দেবেন চন্দ্ৰ দাস আৰু বাসুদেৱ গোস্বামীক ইতিমধ্যে পৰিষদৰ এই বিশিষ্ট সন্মান আগবঢ়োৱা হৈছে। অখিল ভাৰতীয় সাহিত্য পৰিষদৰ স্মাৰক, অভিনন্দন পত্ৰ, অঙ্গ বস্ত্ৰ আদিৰে বিশেষ ধৰণে 'সন্মানীয় সদস্য সন্মান' প্ৰদান কৰা হ'ব বুলি পৰিষদৰ সভাপতি ধীৰেণ শৰ্মা আৰু সচিব প্ৰধান কমল কলিতাই জানিবলৈ দিছে।

# ডাউন টাউন হাস্পতালত বিনামূলীয়া স্বাস্থ্য শিবিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ডাউন টাউন হাস্পতালতৰ চৌহদত আন্তঃৰাষ্ট্ৰীয় বৃক্ক দিৱস উপলক্ষে আজি এক বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। শিবিৰত যোগদান কৰা ৰোগীসকলৰ লাভাৰ্থে পঞ্জীয়ন, নেফৰোল'জিষ্ট ডা° নন্দিতা চৌধুৰী, ডা° অঞ্জন বৰকটকীৰ দ্বাৰা চিকিৎসা বিষয়ক পৰামৰ্শ আৰু মনশ্বেতা গ্ৰেচী চ'ৰ দ্বাৰা খাদ্য বিষয়ে পৰামৰ্শ বিনামূলীয়াভাৱে প্ৰদান কৰা হয়। উক্ত সুবিধা সমূহৰ উপৰিও ৪৫ জন ৰোগীয়ে চিকিৎসকৰ পৰামৰ্শ অনুযায়ী প্ৰয়োজনীয় অন্য পৰীক্ষা সমূহ ৰেহাই মূল্যত কৰিব পাৰিব। ডা° বৰকটকীয়ে কয়- 'আমাৰ বৃক্ক ই বহুতো গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে আৰু বৃক্ক ৰ ৰোগ থকা লোকসকলে সাধাৰণতে তেওঁলোকৰ বৃক্ক ৰ কাৰ্যক্ষমতা যথেষ্ট পৰিমাণে হেৰুৱা পাছততহে লক্ষণ সমূহ দেখা দিয়ে।' আমি ব্যক্তিসকলক এই ৰোগৰ বাবে তেওঁলোকৰ বিপদাশংকাৰ বিষয়ে অধিক জানিবলৈ আৰু এই শিবিৰৰ জৰিয়তে তেওঁলোকৰ স্বাস্থ্য নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম কৰিবলৈ চেষ্টা কৰিলো।

# আৰক্ষীয়ে ধৰ্মনিৰপেক্ষভাৱে

জনগোষ্ঠীৰ দৰে মুছলমান সংখ্যালঘুসকলেও পাই আহিছে। অপৰাধ-ড্ৰাগছহে ইছ্যু হ'ব লাগে, হিন্দু-মুছলমান ইছ্যু হ'ব নালাগে। অপৰাধীৰ পক্ষত অৱস্থান নল'বলৈ বিৰোধীক আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ড্ৰাগ্‌ছকে ধৰি অপৰাধৰ বিৰুদ্ধে বৰ্তমানৰ চৰকাৰখনে গ্ৰহণ কৰা পদক্ষেপক ৰাইজে ভাল পাইছে। ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যপালক কোনোধৰণৰ বাধা নিদিয়াকৈ সদনত ভাষণ দিয়াৰ সুযোগ দিয়াৰ বাবে বিৰোধী দেৱব্ৰত শইকীয়াকে ধৰি বিৰোধীক ধন্যবাদ জ্ঞাপন কৰি কয় যে যোৱা দুটা বছৰে বিৰোধীয়ে এইক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে। ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা আলোচনা কালত সমালোচনাৰ মাধ্যমেৰে বিধায়কসকলে যিসমূহ ভাল পৰামৰ্শ আগবঢ়াইছে, সেইবোৰ চৰকাৰে বিবেচনা কৰি ৰূপায়ণৰ চেষ্টা কৰিব।

# নগাঁৱৰ 'আৰ্টভিলেজ'ত লোকচিত্ৰকলাৰ শিৱিৰ

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰণালয়ৰ অধীনত পূৰ্বাঞ্চল সাংস্কৃতিক কেন্দ্ৰ (EZCC)ৰ উদ্যোগত, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগ আৰু জ্যোতি একাডেমীৰ সহযোগত নগাঁৱৰ "আৰ্ট ভিলেজ"ত আয়োজিত হৈছে এখনি সাতদিনীয়া পৰম্পৰাগত আৰু লোকচিত্ৰকলাৰ কৰ্মশালা। উক্ত অনুষ্ঠানত অসম আৰু ৰাজস্থানৰ শিল্পীয়ে অংশ গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণীতে বৰগীত পৰিৱেশন কৰে শিশুশিল্পী তপস্যা মহন্ত, লগতে খোল বাদন আৰু বাঁশি বাদনেৰে সহযোগ কৰে প্ৰশান্ত কুমাৰ গোস্বামী আৰু হেমন্ত বসুমতাৰিয়ে। এগচি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ নগাঁৱৰ সাংস্কৃতিক বিষয়া মুনীন্দ্ৰ গোস্বামীয়ে লগতে সহযোগ কৰে জ্যোতি একাডেমীৰ সভাপতি দুলাল বৰাই। ১৪ মাৰ্চত আৰম্ভ হোৱা এই কৰ্মশালাত ৰাজস্থানৰ ফড পেইন্টিং, মিনিয়েচাৰ পেইন্টিং আৰু লোকচিত্ৰ কলাৰ শিল্পী ক্ৰমে মনোজ কুমাৰ যোশী, ওম প্ৰকাশ চন্দ্ৰায়ন আৰু সুবোধ কুমাৰ যোশীয়ে অংশ গ্ৰহণ কৰিছে। অসমৰ পুথিচিত্ৰ শিল্পী দিগন্ত হাজৰিকা, মৃদুমৌচম বৰা আৰু সুজিত দাসে অংশ লয়। অহা ২০ মাৰ্চ লৈকে এই কৰ্মশালা চলি থাকিব। অনুষ্ঠানৰ সৈতে উক্তদিনা নগাঁৱৰ আৰ্ট ভিলেজৰ প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। লগতে এখনী সত্ৰীয়া নৃত্যৰ বিদ্যালয় আৰু যোগাসনৰ প্ৰশিক্ষণ কেন্দ্ৰৰ আনুষ্ঠানিক আৰম্ভণী কৰা হয়। নগাঁও সত্ৰ মহাসভাৰ সাধাৰণ সম্পাদক উৎপল মহন্ত, বিশিষ্ঠ লেখক ভীষ্মদুৰ্লভ মহন্ত, অধ্যাপক ডঃ জোনাৰাম নাথ, প্ৰচাৰ মাধ্যম সমন্বয়ক নৱ ভৰালী, নৃত্যশিল্পী মাম্পী সাহা, কবি পাপু মজুমদাৰ আৰু যোগ প্ৰশিক্ষক ৰূপজ্যোতি কৰৰ লগতে অনুষ্ঠানত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহন কৰে।

# হায়াত হাস্পতালত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ আৰু বক্তৃতা প্ৰদান

ৰঙিলী বাৰ্ত্তাসেৱা- হায়াত চুপাৰ স্প্ৰেচিয়েলিটি হাস্পতাল গুৱাহাটী আৰু হায়াত ইনষ্টিটিউট অফ নাৰ্ছিং এডুকেচনৰ ফালৰ পৰা আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে আজি দুটাকৈ স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। কামৰূপ জিলাৰ নগৰবেৰাৰ বি.পি চলিহা মহাবিদ্যালয়ৰ ৱমেন এম্পাৱাৰ চেলৰ সহযোগত হাস্পতালখনৰ সামাজিক দায়বদ্ধতা কোষৰ পৰা এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰে। শিবিৰত মহাবিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ বাবে আয়োজন কৰা এই শিবিৰত হায়াত হাস্পতালৰ প্ৰসূতী ৰোগ বিভাগৰ ডাঃ জুলি দেউৰী ভৰালী, শিশু ৰোগ বিশেষজ্ঞ ডাঃ ডলি কলিতা, ক্ৰিতিকেল কেয়াৰ বিভাগৰ চিকিৎসক ডাঃ ধ্ৰুৰ্বাচিছ কলিতাই প্ৰায় ১৪০ ৰো অধিক লোকক বিনামূলীয়াকৈ ই চি জি, ব্লাড চুগাৰ, ব্লাড প্ৰেচাৰ আৰু আনুসংগিক স্বাস্থ্য পৰীক্ষা সেৱা আগবঢ়ায়। উল্লেখ্য, এই বিনামূলীয়া শিবিৰ বিধায়িকা নন্দিনী দাসো উপস্থিত থাকে। আনহাতে হাস্পতালখনৰ নাৰ্ছিং কলেজৰ ফালৰ পৰা গুৱাহাটীৰ ন মাইলৰ হস্তিনাপুৰ প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া স্বাস্থ্য পৰীক্ষাৰ লগতে নাৰী দিৱস উদযাপন কৰে। য'ত হাস্পতাল খনৰ চিকিৎসক ডাঃ ৰত্না লাংথাছা আৰু ডাঃ ঝিমলী গোস্বামী উপস্থিত থাকে। এই উদযাপনত নাৰ্ছিং মহাবিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা 'মানসিক চাপ আৰু ইয়াৰ ব্যৱস্থাপনা'ৰ ওপৰত এক বক্তৃতা আগবঢ়ায়।

# দৌল উৎসৱ

মঞ্জুষা শৰ্মা



ফাকুৱা বুলি ক'লে আমি বিভিন্ন ৰঙৰে ৰঙীন হৈ পৰা মুখমণ্ডল তথা সাজ- পোছাকৰ কথাই চকুৰ আগত ভাহি আহে। ফাকু গুড়ি হয় পানীত গুলি ন'হলে শুকানেই লৈ ইজনে-সিজনক সানি আনন্দ ফুৰ্তিৰে সময়খিনি কটায়। এই যে ফাকু সানে তাক এটা নিৰ্দিষ্ট দিনতহে উদযাপন কৰা হয় যদিও ফাকুৱা ২ ধৰণেৰে পালন কৰা হয়। ফাগুন মাহৰ পূৰ্ণিমা তিথিত পালন কৰা ফাকুৱা উৎসৱক ডেকা দেউল উৎসৱ আৰু চ'ত মাহত পালন কৰাটোক বুঢ়া দেউল উৎসৱ বুলি জনা যায়। ডেকা দেউল উৎসৱ পাঁচ দিনীয়াকৈ আৰু বুঢ়া দেউল উৎসৱ তিনি দিনীয়াকৈ পালন পৰা হয়। ইয়াৰে প্ৰথম দিনা গোন্ধ যাত্ৰা ২ য় দিনা ভৰ দৌল আৰু ৩ য় দিনা ফাকুৱা বুলি পালন কৰা হয়। এই উৎসৱ বিভিন্ন নামেৰে জনা যায়। সেইবোৰৰ ভিতৰত দৌল উৎসৱ, হলি, ফাকুৱা, দেউল, ফাল্গুৎসৱ আৰু হলিকা দহন আদি।

ভাৰতৰ সকলো ঠাইতে এই উৎসৱ উলহ-মালহেৰে পালন কৰে। শ্ৰীকৃষ্ণ যেতিয়া বিজয়ী হৈ দলে বলে যাত্ৰা কৰি ইন্দ্ৰদ্যুম ৰজাৰ দেশলৈ গৈছিল তেতিয়া প্ৰজাগণে সেই খবৰ পাই আনন্দতে ইজনে সিজনক ৰঙ সানি আনন্দ ফুৰ্তি কৰি এই উৎসৱ পালন কৰিছিল। অন্য হাতে কৃষ্ণ সংস্কৃতিৰ লগত জড়িত আন এক প্ৰবচন মতে শ্ৰীকৃষ্ণ যেতিয়া তেওঁৰ পত্নী ঘুনুচাৰ গৃহত থাকোতে ৭ দিন ৰং -ধেমালি কৰি যি আনন্দ উৎসৱ পালন কৰিছিল সেই উৎসৱকে ফাকুৱা উৎসৱ নামেৰে জনা গৈছিল।

এই ফাকুৱা উৎসৱক অসমত আকৌ দৌল উৎসৱ নামেৰেও জনা যায়। শ্ৰীমন্ত শংকৰদেৱেই এই দৌল উৎসৱৰ শুভাৰম্ভ কৰিছিল। শ্ৰীমন্ত শঙ্কৰদেৱে যেতিয়া গুৰু মাধৱ কন্দলিৰ টোলত থাকি শিক্ষা সমাপ্ত কৰি বৰদোৱালৈ ঘূৰি আহিছিল তেতিয়া মাধৱ দলৈ, জয়ন্ত দলৈকে আদি কৰি ভূঞা বংশৰ লোক সকলে ক'লে যে তেওঁ সকলো শাস্ত্ৰতে পাৰ্গত। তাৰোপৰি তেওঁ নিজৰ জ্ঞান গৰিমাৰে সকলোৰে মন প্ৰফুল্লিত কৰিব পাৰে। গতিকে তেনে এজন লোকে এই মৰ্ত্তত এখন বৈকুণ্ঠ গঢ়ি দিব পাৰিব বুলি ক'বলৈ ধৰিলে। সেই অনুৰোধ মৰ্মে

(আঠপৃষ্ঠাত চাওক)

# "ফাকুৱা বা হোলী উৎসৱ"

হিমাদ্ৰী বৰকটকী,নগাঁও



ফাকুৱা বা হোলী উৎসৱ হৈছে এক সৰ্বভাৰতীয় ৰঙৰ উৎসৱ । এই উৎসৱ হ'ল এক আনন্দৰ প্ৰতিক। ফাকুৱা বা হোলী উৎসৱক "ফাকুৱা উৎসৱ," "দৌল উৎসৱ" "বসন্ত উৎসৱ" আদিৰে বিভিন্ন ঠাইত বিভিন্ন নামেৰে জনা যায়। এই উৎসৱ হ'ল এক আনন্দৰ উৎসৱ। অসমতো এই উৎসৱ উদযাপন কৰা হয়। হোলী বা ফাকুৱা উৎসৱ ফাগুন মাহৰ পূৰ্ণিমা তিথিত পালন কৰা হয়। হোলী বা ফাকুৱা উৎসৱৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পৌৰাণিক আখ্যান উপাখ্যান প্ৰচলিত হৈ আহিছে। এই উৎসৱত শ্ৰীকৃষ্ণ আৰু ৰাধাৰ চিৰন্তন আৰু ঐশ্বৰিক প্ৰেম উদযাপন কৰা হয়। বৃন্দাবনত শ্ৰীকৃষ্ণই ৰাধা আৰু গোপীসকল ৰ লগত ৰঙৰ উৎসৱ ফাকুৱা বা হোলী খেলিছিল।

হোলী বা ফাকুৱাক "প্ৰেমৰ উৎসৱ", "ৰঙৰ উৎসৱ" আৰু "বসন্তৰ উৎসৱ" বুলিও কোৱা হয়।

ফাকুৱা বা হোলী উৎসৱ সাধাৰণতে তিনিদিনীয়াকৈ অনুষ্ঠিত কৰা হয়। প্ৰথম দিনা মেষদাহ, দ্বিতীয় দিনা গোসাঁইৰ মূৰত ফাকু দিয়া আৰু তৃতীয় দিনা মানুহৰ ফাকু অৰ্থাৎ মানুহে ইজনে সিজনক ৰঙ ঘঁহা - ঘঁহি কৰি খেলা খেলে। মেষদাহৰ দিনা বিভিন্ন ঠাইত হলীকা দাহন ও কৰা হয়। হলীকা হ'ল অসুৰৰ ৰজা হিৰণ্যকশিপুৰ ভনিয়েক। প্ৰহ্লাদ বিষ্ণুৰ ভক্ত আছিল কাৰনে ভনিয়েক হলীকাক হিৰণ্যকশিপুয়ে বধ কৰিবলৈ দিছিল। কিন্তু হলীকা নিজে নিজে ভষ্ম হ'ল প্ৰহ্লাদক ভষ্ম কৰিব নোৱাৰিলে । সেইকাৰণে হলীকা দাহন কৰা হয় বিভিন্ন ঠাইত মেষদাহৰ দিনা যাতে অপশক্তিৰ নাশ হওঁক। ই অশুভৰ ওপৰত ভালৰ জয়কো সূচিত কৰে।

আমাৰ অসমত পোনপ্ৰথমে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নগাঁওৰ বৰদোৱা থানত অৰ্থাৎ পাতেকীবাৰীত এই দৌল উৎসৱৰ পাতনি মেলিছিল। বৰদোৱাত দৌল উৎসৱ বৰ সুন্দৰকৈ তিনিদিনীয়া কাৰ্যসুচীৰে পালন কৰা হয়। বিভিন্ন ঠাইত পৰা মানুহৰ সমাগম ঘটে বৰদোৱাৰ দৌল উৎসৱলৈ।

(আঠপৃষ্ঠাত চাওক)

# উভতিব ৰঙেৰে সুখ

নীতিস্মান দাস, সপ্তম শ্ৰেণী



আহিছে আহিছে ফাকুৱা,
হাতত ৰং আৰু পিচকাৰী লোৱা।
ৰঙে অন্ধকাৰক ৰাখিব ঢাকি,
হৃদয়েৰে লগাবা যিয়ে মাৰিব হাঁহি।
বৃন্দাবন পৰা অহা এই উৎসৱে, আঁতৰাব দুখ,
দুখৰ পৰা শীঘ্ৰে হব সুখৰ হাস্যমুখ।
ৰঙা ৰঙে কৰিব অপশক্তিৰ বিনাশ,
গুলপীয়া ৰঙে হৰিব জীৱনৰ হতাশ।
বগা ৰঙে উভতাব সুখ শান্তি,
কমলা ৰঙে জীৱনত কৰিব সিদ্ধি।
সেউজ ৰঙে কৰিব ধৰাৰ প্ৰগতি,
নীলা ৰঙে মৰমেৰে লব সাৰটি।
বেঙুনীয়া ৰঙে দেখাব সত্যতাৰ পথ,
হালধীয়া ৰঙে প্ৰবাহিত কৰিব জীৱনৰ ৰথ।
সত্যযুগত হিৰণ্যকশিপুয়ে কৰিছিল তাণ্ডৱ,
বৰ পাই নিজকে ঈশ্বৰ বুলি কোৱা এই দানৱ।
হয় তেওঁৰ পুত্ৰ বিষ্ণুভক্ত প্ৰহ্লাদ,
পিতৃৰ অধৰ্মী কৰ্ম দেখি কৰিছিল বিবাদ।
হ'লিকাৰ বৰ দেখি, কশিপুৰৰ জাগিল নিষ্ঠুৰ মন,
প্ৰহ্লাদৰ বিষ্ণুভক্তিৰে হ'লিকাৰ হ'ল দহন।
এনে দৰে ধৰ্মৰ হৈছে জয়,
এই বাবে হলীৰ হেনো পালন কৰা হয়।
অচিনাকি বাতৰুৱাক ৰং নাসানিবা,
যাব পাৰে জৰুৰী কামত, এইটো ভাবি চাবা।
কৰিবা উদযাপন ৰং হৃদয়ে সানি,
নাসানিবা এনে ৰং যিয়ে কৰে হানি।
ভকত সৱে নাম, কীৰ্তন, ভজন আদি গাই,
জ্যেষ্ঠজনে সকলোকে আশীৰ্বাদ জনাই।
উৎসৱৰ এই ধৰাখনিত আৰু কেতিয়া জন্ম পাম,
ধৰাখনি বিনন্দীয়া ৰাখিবলৈ, ঈশ্বৰক জনালোঁ প্ৰণাম।

(অণুগল্প)


# আবিৰ

অঞ্জুমণি শইকীয়া যোৰহাট



"ফাকু সানোতে ভেঁ কৈ কান্দিছিলা কিয় ?"
"পিছলৈ কান্দিবলৈ এৰিছিলো, মনত আছে ?"
"কি নাম দিবা ?"
"আবিৰ।"
হাতত ফুলৰ থোপা, মিঠাই লৈ শুভাকাংক্ষীসকল নাৰ্ছিংহোমৰ কোঠাটোলৈ সোমাই আহিল ।
(সকলোকে ফল্গুৎসৱৰ শুভকামনা জনালোঁ।)

# লক্ষ্য সেন, গায়ত্ৰী গোপীচান্দ-ট্ৰিচা জলীৰ অল ইংলেণ্ড ছেমি ফাইনেলত প্ৰৱেশ





ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জ পদক বিজয়ী লক্ষ্য সেনে তেওঁৰ প্ৰতিদ্বন্দী চীনৰ লু গুয়াং জুৱে ৰাক অভাৰ দিয়াৰ পিছত অল ইংলেণ্ড চেম্পিয়নশ্বিপৰ পুৰুষৰ একক ছেমি ফাইনেলত প্ৰৱেশ কৰে। প্ৰাক্তন চেম্পিয়ন পুল্লেলা গোপীচান্দৰ জীয়ৰী গায়ত্ৰীয়ে তেওঁৰ সংগী ট্ৰিচা জলীৰ সৈতে দুটা মেচ পইণ্ট সংৰক্ষণ কৰি দ্বিতীয় স্থানপ্ৰাপ্ত লী ছোহি আৰু শিন চেউংচানক ১৪-২১, ২২-২০, ২১-১৫ ব্যৱধানত পৰাস্ত কৰি মহিলাৰ দ্বৈত ছেমি ফাইনেলত উপনীত হয়।

# দক্ষিণ আফ্ৰিকাত বাংলাদেশৰ এদিনীয়া খেলত জয়লাভ



ৰঙিলী বাৰ্ত্তাসেৱা- চেঞ্চুৰিয়ানত বাংলাদেশে দক্ষিণ আফ্ৰিকাক ৩৮ ৰাণত পৰাস্ত কৰি দক্ষিণ আফ্ৰিকাৰ মাটিত প্ৰথমবাৰৰ বাবে এদিনীয়া বিজয় পঞ্জীয়ন কৰে। খেলখনৰ আগতে বাংলাদেশে দক্ষিণ আফ্ৰিকাত ১৪ খন এদিনীয়া খেল খেলিছিল, যাৰ ভিতৰত তেওঁলোকে ১৩ খনত পৰাজিত হৈছিল, আনহাতে এখনত কোনো ফলাফল নাছিল। বাংলাদেশে খেলখনত ৩১৪ ৭ ৰাণ সংগ্ৰহ কৰে, যি দক্ষিণ আফ্ৰিকাত তেওঁলোকৰ সৰ্বাধিক এদিনীয়া মুঠ।




# তাই হেনো প্রফেছৰ পাছতহে গম পালোঁ .....

অভিজিত শেনচোৱা
দেউবিল নপমীয়া গাঁও, শিৱসাগৰ

ৰাতিপুৱা গৰম নাছিল যদিও এতিয়া বেলিটোৱে মূৰৰ ওপৰত যেন নিজৰ বীৰত্ব দেখাইছে । যেনে তেনে তলৰ ভিৰ ফালি গৈ ওপৰ মহলাৰ বাৰাণ্ডাত থকা খালি বেঞ্চ এখনত ভাগৰুৱা দেহাটো এৰি দিলো। পৰীক্ষা আছে, স্পৰ্টিং পিন্ধিও আহিব নোৱাৰি, ফৰ্মেল ড্ৰেচ পিন্ধিও গৰমত থাকিব পৰা নাই! পৰীক্ষা হলৰ বাৰাণ্ডাত পূৰ্বৰে পৰা অপেক্ষাৰত পৰিক্ষাৰ্থীৰ ভিৰ। কোনো কোনো অকলে, কোনো ব্যস্ত নিজৰ মোবাইলটোৰ সৈতে, কোনোজন আকৌ ব্যস্ত চিনাকি কাৰোবাক বিচৰাত। বেঞ্চখনৰ পৰা পিঠিটো আঁতৰাই আনি পোন হৈ বহি ইফালে-সিফালে চকু ফুৰালোঁ। নাই কোনো চিনাকি মুখ মনলৈ নাহিল । তেনেতে কাকতি ফৰিং অহাদি আগমন এগৰাকী পৰিক্ষাৰ্থীৰ। চঞ্চল, হাঁহি থকা মুখ লৈ যেন খুবেই উত্তেজিত তাই ! আহি মোৰ কাষতে বহি মোবাইলত ব্যস্ত হৈ থকা ছোৱালী কেইজনীক সুধিলে “৫নম্বৰ ৰুম কোনটো”। বিৰক্তিৰে আঙুলিয়াই দেখালে তাৰে এজনী ছোৱালীয়ে। উত্তৰ পাই আকৌ পখিলা উৰাদি তাই উৰি গুচি গল। ছোৱালীকেইজনীয়েও পুনৰ মোবাইলত চকু গুজিল । মাথোঁ মই চাই ৰলো তাই যোৱাৰ বাটটো।

গল কথা গুছিল কাহিনী তাতে সামৰিল । পৰীক্ষাৰ সময় আহিল, সকলো নিজৰ নিজৰ ৰুমত সোমাল। ৫নম্বৰ ৰুমত সোমাই মই মোৰ চিট বিচাৰিবলৈ ধৰিলো। কিছু মুহূৰ্তৰ অন্তত বিচাৰি পালোঁ মোৰ স্থান । কিন্তু এইয়া কি! মোৰ সন্মুখৰ বেঞ্চত বহি আছে সেই প্ৰাণ চঞ্চলা ছোৱালীজনী। ৫ নম্বৰ ৰুমত তাই আৰু বাকী দুজনীহে মাথোঁ ছোৱালী। পৰীক্ষা দিবলৈ আহিছে যদিও তাই গুৰু-গম্ভীৰ হৈ থকা নাই। ইফালে সিফালে চাই ফুৰিছে। যাকে চিনি পায় তাকে মাতিছে, হাঁহিছে। খুবেই চঞ্চল, ভাল লাগিল দেখি যেন ফুলে ফুলে উৰি ফুৰা পখিলাজনীহে । পৰীক্ষা আৰম্ভ হবলৈ তেতিয়াও কিছু পৰ আছিল। সেই ক্ষণতে মোৰ চিটৰ পৰা মাজে মাজে লক্ষ্য কৰিলোঁ চশমাৰ আঁৰে আঁৰে তাইলৈ। কাণত হীৰা আকৃতিৰ সৰু ফুি। পিঠিলৈ পৰা চুলি, বাৰেপতি সোঁহাতৰ আঙুলিৰে কাণৰ পিছলৈ ঠেলি আছে ফেনৰ বতাহত বাউলি হৈ উৰি ফুলা চুলি কেইডাল। ডিঙিত এডাল লঘু চেইন। ক’লা মাস্ক পিন্ধাৰ বাবে মুখখন পিছে চাব পৰা ন’গল। তাইৰ ডাঠ পাৱাৰ চশমাই ঢাকি ৰখা চঞ্চল মায়াবী চকু দুটিয়ে হাঁহিলে কাষত কিছু আঁচ পৰে। ভাল লাগে দেখি। খুবেই চঞ্চল তাই। আনকি আন ছোৱালীৰ দৰে স্থিৰ-শান্তিৰে বহি থাকিব নোৱাৰে। এবাৰ ইফালে এবাৰ সিফালে যেন বনত খেলি ফুৰা সৰু কণমানিজনীহে। আকৌ মন গলে ৱালত ভেজা দি ক্লাছটোক চাই থকা। মন গলে পিছলৈ ঘূৰা ইত্যাদি নানা কাৰ্যই মন মোহি গল। হয়তো আমনি লাগিছিল। এইবাৰ তাই কাষতে বহি থকা লৰাটোক উদ্দেশ্যি এৰিলে প্ৰশ্নবাণ নিজে প্ৰথমে। ক’ত ঘৰ, ক’ত পঢ়িছিল ইত্যাদি ইত্যাদি, সুধি গল প্ৰশ্ন বহু দিনৰ চিনাকি মানুহৰ দৰে, ঠিক যেন সি তেওঁলোকৰ ঘৰৰ এক সদস্য হে। ল’ৰাটোৱে উত্তৰ দি গল যদিও কিন্তু ওলোটাই কোনো প্ৰশ্ন নকৰিলে, যদিওবা কিছু পৰ পিছত তাই নিজে কৈ গল নিজৰ বিষয়ে হাঁহি হাঁহি। পিছৰ চিটৰ পৰা ময়ো শুনি গলো প্ৰাণ চঞ্চলা সেই যুৱতীৰ জীৱন গাঁথা । জন্মসূত্ৰে গুৱাহাটীৰ বেলতলাৰ নিবাসী যদিও বৰ্তমান থাকে দৰঙত। B.Sc. কৰিছিল সন্দিকৈৰ পৰা, মাষ্টাৰ্ছ গুৱাহাটী বিশ্ববিদ্যালয়ৰ



পৰা, Phd গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা । সন্মুখৰ বেঞ্চত চিনাকি পৰ্ব হোৱা দেখি এইবাৰ মোক মোৰ বেঞ্চৰ পৰিক্ষাৰ্থীজনে মোৰ কি subject সুধিলে । উত্তৰ কলো, এইবাৰ তাই সেই লৰাক এৰি পিছলৈ মোৰ পিনে ঘূৰি ললে । এইবাৰ মোলৈ প্ৰশ্নবাণ এৰিলে! - “আপুনি শিৱসাগৰৰ নহয়নে?” মই আচৰিত!

-“হয়, পিছে আপুনি কেনেকৈ জানিলে?”

-“আপোনাৰ এডমিতটোৰ পৰা হি হি”

সুবিধা মই এৰি নিদিওঁ। এইবাৰ সুযোগ বুজি ময়ো এৰিলো মোৰ প্ৰশ্নবাণ। কিন্তু আৰম্ভ কৰিবলৈ লওঁতেই প্ৰশ্নকাকত বিলাবলৈ এক্সটাৰনেল আহিল । সুধিব খোজা বহু কথা ৰৈ গল গল ......

প্ৰশ্ন কাকতৰ একো আগ-গুৰি বুজি পোৱা নাই । ইপিনে একঘণ্টাও যোৱা নাই । ইফালে-সিফালে চকু পকাই থাকোতে আকৌ চকু গল সন্মুখৰ বেঞ্চৰ তাইলৈ । গোটেই পৰীক্ষাৰ দুঘণ্টা বেঞ্চ খনত এবাৰ ইফালে এবাৰ সিফালে চটফটাই উৎপাত কৰি মেলি কটালে । তাৰ মাজতে কেইবাবাৰো এ’টাৰনেলক ইটো সিটো সৰু সুৱা কিবা কিবি সুধিলে (গোটেই ক্লাছটোৰ পৰিক্ষাৰ্থীসকলৰ খিনিৰ ভিতৰত

(আঠপৃষ্ঠাত চাওক)

# আজান ফকীৰ

বন্দিতা শৰ্মা কন্দলি



আৰব দেশৰ বাগদাদৰ পৰা অসমলৈ অহা আজান ফকীৰৰ প্ৰকৃত নাম ছাহমিলান বা ছাহমিৰাণ। অসমীয়া জনসমাজত প্ৰচলিত গীত জিকিৰৰ বেছি সংখ্যকৰেই তেওঁ ৰচক আছিল। বুৰঞ্জীৰ তথ্য অনুসৰি গদাধৰ সিংহৰ ৰাজত্ব কালত আজান ফকীৰ ভায়েক নবীজানৰ সৈতে অসমলৈ আহিছিল ।অসমলৈ আহি তেওঁ অসমীয়া ভাষা সংস্কৃতিৰ লগত একাত্ম হৈ পৰিছিল। তাৰ সমান্তৰালকৈ তেওঁ লক্ষ্য কৰিছিল যে তেওঁ তকৈ পূৰ্বে যিসকল মুচলমান লোক অসমলৈ আহিছিল তেওঁলোকে ইছলামীয় নীতি নিৰ্দেশনা সঠিক ভাবে পালন নকৰি থলুৱা আচাৰ নীতিহে অনুসৰণ কৰিছিল। সেয়ে তেওঁ সেই সকলক একত্ৰিত কৰি নামাজ পঢ়িবলৈ আহ্বান জনায়। নামাজ পঢ়িবলৈ আহ্বান জনোৱাৰ বাবেই তেওঁৰ নাম আজান ফকীৰ হয়। ধৰ্মৰ প্ৰতি অগাধ ভক্তিৰ বাবে তেওঁ ‘পীৰ’ উপাধি লাভ কৰিছিল।

সপ্তদশ শতিকাৰ আগভাগত অসমলৈ অহা আজান ফকীৰে প্ৰথমে কামৰূপ জিলাৰ হাজো অঞ্চলত কিছুদিন থাকি নাৱেৰে উজাই শিৱসাগৰ

(আঠপৃষ্ঠাত চাওক)

# গাৰ্হস্থ্য হিংসাত পৰকীয়া প্ৰেমৰ ভূমিকা

লিলি বৈশ্য মঙ্গলদৈ

উচ্চতম ন্যায়ালয়ে ব্ৰিটিছ যুগতেই প্ৰনয়ন ১৫৮ বছৰীয়া আইন এখনক অসাংবিধানিক ঘোষণা কৰি পত্নী স্বামীৰ ব্যক্তিগত সম্পত্তি নহয় বুলি মত পোষণ কৰে। লগতে এইটোও ঘোষণা কৰে যে পৰকীয়া প্ৰেমক অপৰাধ নহয়। ৫ জনীয়া বিচাৰপীঠে ৰায়দান কৰা এই ৰায় কিমান যুক্তিপূৰ্ণ বাৰু? উচ্চতম ন্যায়ালয়ৰ এই ৰায়দানক সকলোৱে আঁকোৱালি ল’ব পাৰিব জানো ? ভিন্ন ঋষিৰ ভিন্ন মত। এই ৰায়ক কোনোবাই শুদ্ধ বুলি মত প্ৰকাশ কৰিছে কোনোবাই আকৌ মানি ল’ব পৰা নাই। মানি নোলোৱাৰ কাৰণ বহুত আছে।

ভাৰতবৰ্ষ সংস্কৃতিবান দেশ ।এই সংস্কৃতিৰ লগত জড়িত কিছু আচাৰ- ব্যৱহাৰ, ৰীতি-নীতিয়ে মানুহক সংস্কৃতিৰ বান্ধোনেৰে বান্ধ খুৱাই ৰাখে। বিবাহিতা মহিলাই স্বামীৰ নামত লোৱা সেন্দুৰকণ, স্বামীৰ মৃত্যুৰ পাছত বৈধব্য ধাৰণ আমাৰ সংস্কৃতিৰেই অংশ। যদিও বহুতে বিবাহিত মহিলাই সেন্দুৰ লোৱাটো অপৰিহাৰ্য বুলি নাভাবে



তথাপিও আমি সেই বিষয়টো আমাৰ সংস্কৃতিৰেই অংশ হিচাপে গ্ৰহণ কৰি আহিছোঁ। কিন্তু এই ৰায়দানে আমাৰ এই বান্ধোন খুলি দিয়া যেন লাগে। এটা কথা ঠিক যে সকলো ব্যক্তিৰে স্বাধীনতা আছে। বিশ্বাস আৰু সন্মানৰ দ্বাৰাহে এটা সম্পৰ্ক সুন্দৰকৈ জীয়াই থাকে। কিন্তু স্বাধীনতাৰ নামত যদি ব্যভিচাৰ হয় তাক জানো মানি ল’ব পাৰি ? কেতিয়াও নোৱাৰি । আমাৰ পৰম্পৰাগত সংস্কৃতি, মান-সন্মান আৰু বিশ্বাসক হত্যা কৰা এবিধ সম্পৰ্ক হৈছে “ পৰকীয়া প্ৰেম।” আধুনিক সমাজ ব্যৱস্থাত পৰকীয়া প্ৰেম এবিধ সামাজিক ব্যাধি হিচাপে গা কৰি উঠিছে। এই সামাজিক ব্যাধি বিধক বহুত পুৰুষ মহিলাই আধুনিকতাৰ দোহাই দি ফেশ্বন হিচাপে আকোঁৱালি ল’বলৈও আৰম্ভ কৰিছে। এই ফেশ্বন বিধ গাৰ্হস্থ্য হিংসাৰো অন্যতম কাৰক।

গাৰ্হস্থ্য হিংসা এতিয়া এটা আন্তঃৰাষ্ট্ৰীয় সমস্যা। গাৰ্হস্থ্য হিংসা বুলি কোৱাৰ লগে লগে শাৰীৰিক, মানসিক আৰু যৌন নিৰ্যাতন এই সকলোবোৰ বিষয়ে সামৰি লোৱা হয়। সচৰাচৰ গাৰ্হস্থ্য হিংসা বুলি

(দহ পৃষ্ঠাত চাওক)

JANASANYOG- 3921/21



# তাই হেনো প্ৰফেছৰ

তায়ে কেৱল এনেকুৱা আছিল) । দুঘণ্টা অতিক্ৰম হল পৰীক্ষা শেষ হল সকলো বাহিৰলৈ ওলাবলৈ সাজু হল এক্সটাৰনেলে সকলো উত্তৰ কঁপি ঠিকে-ঠাকে আছেনে নাই তাকে পৰীক্ষা কৰিবলৈয়া আমাক ওলাই যোৱাত বাধা দিলে । এইবাৰ মই সুযোগ বুজি কথা পাতিলোঁ । ' পৰীক্ষা কেনে হ'ল'ৰ পৰা আৰম্ভ কৰি উত্তৰ আলোচনা কৰি থাকোতেই হঠাৎ মোৰ চকু গল তাইৰ চুলিৰ মাজত লুকাই থকা কণমানি সেন্দুৰকণলৈ । তাই বিবাহিত ! কথাৰ মাজতে তাইৰ পৰা জানিব পাৰিলো যে বৰ্তমান তাই দৰঙৰ কোনোবা এখন কলেজত অধ্যাপনা কৰি আছে । শুনি আচৰিত হলোঁ ! এনে এজনী চঞ্চল, চিত্ পখিলি হেন ছোৱালী বোৱাৰী হোৱাৰ লগতে অধ্যাপিকাও । নিজৰে কিবা লাজ লগাৰ দৰে অনুভৱ হল । ইতিমধ্যে এক্সটাৰনেলে সকলোকে যাবলৈ নিৰ্দেশ দিলে । ওলাই আহিব লৈ বহি থকা তেওঁক সুধিলোঁ "কিয় আজি নাযাও বুলি ভাবিছে নিকী হয় ?" আকৌ সেই চঞ্চল হাঁহি মাৰি দুটি চকু সৰু কৰি উত্তৰ দিলে "যাম ৰবা হি হি, এওঁ বা আহি পালেহি নাই" ...........

# ফাকুৱা বা হোলী

অসমৰ সত্ৰনগৰী বৰপেটাতো অতি উলহ মালহৰে ফাকুৱা উৎসৱ অনুষ্ঠিত কৰা হয়। বৰপেটাত পোন প্ৰথমে মথুৰা দাস বুঢ়া আতাই এই দৌল উৎসৱৰ পাতনি মেলিছিল। তেতিয়াৰ পৰাই অতি উলহ-মালহেৰে জাকজমকতাৰে বৰপেটাবাসীয়ে জাতি- ধৰ্ম নিৰ্বিশেষে ধনী-দুখীয়া সকলোৰে মিলি দৌল উৎসৱ পালন কৰি আহিছে। দৌল উৎসৱত হোলী গীতৰে মুখৰিত হৈ থাকে সত্ৰনগৰী বৰপেটা। হোলী বা ফাকুৱাৰ লগত জড়িত বহুতো "হোলী গীত" আছে য'ত ভগৱান শ্ৰীকৃষ্ণৰ লীলা মাধুৰ্যৰ বৰ্ণনা পোৱা যায়।

ফাকুৱা বা হোলী উৎসৱৰ প্ৰধান তাৎপৰ্য হ'ল ইজনে সিজনক ৰঙ অৰ্থাৎ ফাকুগুৰি সানি আনন্দ কৰা, মৰম স্নেহ, ভাতৃত্ববোধ জগাই তোলা।

প্ৰাচীন কালত পলাশ ফুলৰ ৰং, পুৰৈ শাকৰ গুটিৰ ৰং, হালধী আদিৰে মানুহে ফাকু খেলিছিল। আজিকালি বিভিন্ন ৰঙ বজাৰত কিনিবলৈ পোৱা যায়। কিন্তু বজাৰত পোৱা ফাকুগুৰিৰ পৰা বহুসময়ত ছাল, চুলি, চকু আদিৰ বিভিন্ন সমস্যাৰ সৃষ্টি কৰে।

গতিকে আমি সকলোৱে ফাকুৱা বা হোলী খেলি আনন্দ কৰাৰ লগতে প্ৰয়োজনীয় সাৱধানতা খিনিও অৱলম্বন কৰা উচিত।

# আজান ফকীৰ

গড়গাঁৱত থিতাপি লয়। তাতে তেওঁ অসমীয়া লোকগীত, বৰগীত, দেহবিচাৰৰ গীত আদিৰ আৰ্হিত ইছলাম ধৰ্মীয় তাত্ত্বিক বাণীসমূহ সহজ সৰল অসমীয়া ভাষাত গীতেৰে প্ৰকাশ কৰিছিল। এই গীতসমূহৰ জৰিয়তে তেওঁ মানৱতা, সমতা, সম্প্ৰীতি আৰু ভ্ৰাতৃত্ব ভাৱ জগাই তুলিবলৈ চেষ্টা কৰিছিল। তেওঁৰ মনত উচ্চ- নীচ আদি ভেদা -ভেদ নাছিল। তেওঁ উচ্চবংশৰ আহোম ছোৱালী বিয়া কৰাই হাড়ে - হিমজুৰে অসমীয়া সমাজত মিলি হিন্দু মুছলমান ৰ মাজত সমন্বয় গঢ়ি তুলিছিল।

অলৌকিক গুণৰ অধিকাৰী আজান ফকীৰৰ প্ৰতি আকৃষ্ট হৈ দৰঙী প্ৰজায়ো তেওঁৰ ওচৰত দীক্ষা ল'বলৈ মন মেলিছিল। তেনে সময়তে গদাধৰ সিংহৰ ৰাজত্ব কালত দৰঙীখণ্ডৰ প্ৰভাৱশালী বিষয়া ৰূপাই দাধৰাই আজান ফকীৰৰ বিৰুদ্ধে স্বৰ্গদেউৰ ওচৰত গোচৰ তৰে । ৰজাই ৰূপাই দাধৰাৰ কথামতে শুদ্ধ-অশুদ্ধ বিচাৰ নকৰাকৈ আজান ফকীৰৰ শাস্তি ৰূপে চকু কাঢ়িবলৈ নিৰ্দেশ দিয়ে। ৰজাৰ নিৰ্দেশ শুনি আজান ফকীৰে এবাচৰু খুজি দুহাতত লৈ আল্লাৰ ওচৰত মোনাজাত কৰাৰ লগে লগে চকু দুটা নিজে নিজে এবাচৰুত সৰি পৰে। সেই চকু দিখৌ নদীত দিয়াৰ লগে লগে দিখৌ নদী উভতি ব'বলৈ ধৰে আৰু ৰজাৰ হোলোং ঘৰ কাতি হৈ পৰে বুলি কিংবদন্তি আছে। তেতিয়া ৰজাৰ ভুল ভাগিল আৰু সৰাগুৰি চাপৰিত মাটি বাৰী দি মছজিদ নিৰ্মাণ কৰি দিছিল যদিও তাতেই আজান ফকীৰে ইহলীলা সম্বৰণ কৰে। অসমীয়া লোকগীতৰ আৰ্হিত ৰচিত হৃদয়স্পৰ্শী আৰু দৰদী জিকিৰ সমূহ জাতি-ধৰ্ম-বৰ্গ সকলো লোকৰে আদৰৰ সম্পদ।

# বৰপেটাৰ হোলী উৎসৱ আৰু পৰম্পৰা

গোপাল জালান



বৰপেটাৰ হোলী উৎসৱৰ আছে এক সুকীয়া মাত্ৰা। পৰম্পৰাগতভাৱে উদ্‌যাপিত হৈ অহা বৰপেটাৰ হোলী উৎসৱ বুলি ক'লে আনন্দৰ অন্ত নাই। কাৰণ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত এই উৎসৱ পালন কৰিলেও বৰপেটাৰ হোলীত পোৱা যায় এক স্বকীয় বৈশিষ্ট্য। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দিনৰে পৰা বৰপেটাত এই উৎসৱ পালন কৰি অহা হৈছে বুলি জনবিশ্বাস। বৰপেটা জিলাত পালন কৰা হোলীক স্থানীয়ভাৱে 'দেউল' বুলিহে বেছিকৈ চৰ্চিত। ভাৰতৰ বিভিন্ন ৰাজ্যৰ পৰা এই সময়ত দৰ্শনাৰ্থীৰ ভিৰ হয় বৰপেটাত। অতীজৰে পৰাই বৰপেটালৈ দৰ্শনাথী হিচাপে অহা লোকসকলক আদৰি লোৱা দেখা যায়। কাৰণ এই বৃহত্তৰ অঞ্চলটোৰ লোকসকল অতিথিপৰায়ণ। বৰপেটা সত্ৰই এই ছবিখন স্পষ্ট ৰূপত দাঙি ধৰে। এই সত্ৰখন স্থাপন হোৱাৰ দিনৰে পৰাই ইয়াত আছে অক্ষয় ভাণ্ডাৰ বা ভঁৰাল। অক্ষয় বস্তিয়ে সত্ৰখনক দিছে এক সুকীয়া পৰিচয়।

দেউলৰ প্ৰথম দিনটোক কোৱা হয় 'গোন্ধ'। প্ৰথম দিনা কীৰ্তনঘৰৰ পাছ দুৱাৰেদি গোসাঁইক উলিয়াই নিনাম-কীৰ্তন কৰা হয়। পৰম্পৰাগতভাৱে গোসাঁইক প্ৰথমতে মঠৰ চোতালত বৰ শৰাইত ৰখা হয়। গোন্ধৰ দিনা সত্ৰৰ আগফালৰ চোতালত বা টুপৰ চোতালত নল-খাগৰিৰে সজা হয় মেজি। এই মেজিত অগ্নি সংযোগ কৰাৰ সময়ত আয়তীৰ উৰুলি, মাংগলিক গীত, ঢুলীয়া-খুলীয়াৰ বাদ্য- বাদনে অনুষ্ঠানটোক দিয়ে এক সুকীয়া পৰিচয়। সমান্তৰালভাৱে সত্ৰ চৌহদত প্ৰদৰ্শন কৰা হয় আতচবাজী। জিলাখনত প্ৰস্তুত কৰা আতচবাজীৰ আছে এক সুকীয়া বৈশিষ্ট্য। বৰপেটাৰ আতচবাজীৰ স'তে ফেৰা মাৰিব পৰা উদ্যোগ উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্যত নাই। গোন্ধৰ দিনা মেজিৰ ছাইৰে ভকতে কপালত তিলক পিন্ধে। মেজিৰ চাৰিওফালে সাতবাৰ ঘূৰি পাছত গোসাঁইৰ বিগ্ৰহ জগমোহন ঘৰৰ বৰ শৰাইত ৰখা হয়। দৌলৰ সময়ছোৱাত সত্ৰৰ প্ৰায়ভাগ কাৰ্য জগমোহনৰ গৃহতে সম্পাদিত হয়। পাছত নিয়মমতে পুনৰ গোসাঁইক জগমোহনৰ ঘৰৰ পৰা দৌলৰ ওচৰলৈ নিয়া হয়। দৌলৰ মঠৰ চাৰিওফালে চাৰিডাল পূৰঠ ভলুকা বাঁহ থিয় কৰায়। ইয়াৰ ওপৰত থাকে চন্দ্ৰতাপ। দেউলৰ অন্তিম দিনটো 'সুৱেৰী' বুলি কয়। অন্তিম দিনটোতেই ৰাইজে ফাকু খেলে। চৌদিশ ফাকুৰ ৰঙেৰে আকাশ ৰঙীন হৈ পৰে। সকলোৱে ফাকু খেলাৰ আনন্দত মতলীয়া হয়। এই আনন্দৰ মাজতে সকলোৱে গায়—

ফাগু খেলে কৰুণাময়, এ

( নপৃষ্ঠাত চাওক)

# দৌল উৎসৱ

শঙ্কৰদেৱে সাত বৈকুণ্ঠৰ চিত্ৰপট অংকণ কৰি খোল, তাল, ডবা, শংখ, কাঁহ গঢ়াই চিহ্নযাত্ৰা নাট প্ৰদৰ্শন কৰিলে। চিহ্নযাত্ৰা প্ৰদৰ্শনৰ জৰিয়তে বৰদোৱাক দ্বিতীয় এখন বৈকুণ্ঠৰ ৰূপ দিলে । উল্লেখ যোগ্য যে সেই চিহ্নযাত্ৰা প্ৰদৰ্শন কৰাৰ থলীতেই এটি দৌল নিৰ্মান কৰি পবিত্ৰ এক শৰণ নাম ধৰ্মৰ ভেটিও বান্ধিলে। এই দৌলতে ফাগুণৰ পূৰ্ণিমা তিথিতেই ফল্গুৎসৱ পালন কৰি কৃষ্ণ গোঁসাইৰ মূৰত ফাকু গুড়ি দি দৌল উৎসৱৰ আৰম্ভণি কৰিলে ।

বসন্ত ঋতুৰ আগমনৰ সময়ত প্ৰকৃতি নতুন সাজত মনেমোহা ৰূপ লয়। লোক বিশ্বাস মতে সেই সময়ত পৃথিৱীৰ উৰ্বৰা শক্তি বৃদ্ধি পায়। তাতে এই উৎসৱত ব্যৱহাৰ কৰা ফাকুৰ গুড়ি পৰি মাটিৰ উৰ্বৰা শক্তি আৰু বৃদ্ধি পায়। ফাগুণ মাহৰ পূৰ্ণিমা তিথিৰ বসন্ত ঋতুত এই উৎসৱ পালন কৰা হয় বাবে এই উৎসৱক বসন্ত উৎসৱ নামেৰেও জনা যায়। আন কিছু ঠাইত ইয়াক হলিকা দহন উৎসৱ নামেৰেও জনা যায়। হলিকা হিৰণ্যকশিপুৰৰ ভনীয়েক। হিৰণ্যকশিপুৱে বৰ পাই নিজকে ভগৱান বুলি ভাবিবলৈ বাধ্য কৰাইছিল। কাৰণ তেওঁক দিন বা ৰাতি, ঘৰৰ ভিতৰত বা বাহিৰত, মাটিত বা আকাশত একোতেই মাৰিব নোৱাৰা বৰ লাভ কৰাৰ বাবে তেওঁ অমৰত্ব লাভ কৰিলে বুলি ভাবি অহংকাৰী হৈ পৰিছিল। হিৰণ্যকশিপুৰৰ এজন পুত্ৰ প্ৰহ্লাদ বিষ্ণু ভক্ত আছিল। তেওঁ সদায় ভগৱান বিষ্ণুৰ নামহে স্মৰণ কৰিছিল। সেই কথাটো পিতৃ হিৰণ্যকশিপুৱে সহ্য কৰিব পৰা নাছিল। তেওঁ পুত্ৰক সদায় ভগৱানৰ নামৰ ঠাইত তেওঁৰ নামহে স্মৰণ কৰিবলৈ কৈছিল। কিন্তু প্ৰহ্লাদে সেই কথা মানি ল'ব নোৱাৰাৰ বাবেই পিতৃৰ বহুতো শাস্তি মূৰ পাতি ল'ব লগা হৈছিল । প্ৰহ্লাদক মাৰিবৰ বাবে পিতৃয়ে ন ন কৌশল প্ৰয়োগ কৰিও বিফল হৈছিল। তাকে দেখি হলিকায়ে ভাতৃক সহায় কৰিবলৈ আগ বাঢ়ি আহিছিল। কাৰণ হিৰণ্যকশিপুৰৰ দৰে হলিকায়েও ব্ৰহ্মাৰ বৰ লাভ কৰিছিল। সেই বৰত হলিকাই এখন দিব্য বস্ত্ৰ লাভ কৰিছিল । যিখন বস্ত্ৰ গাত থাকিলে অগ্নিয়ে একো কৰিব নোৱাৰে। সেয়ে হলিকায়ে সেই বস্ত্ৰ নিজৰ গাত মেৰিয়াই কোচত প্ৰহ্লাদকলৈ অগ্নিকুণ্ডত প্ৰৱেশ কৰি প্ৰহ্লাদক মাৰিবলৈ সাজু হ'ল। কিন্তু হিতে বিপৰীতহে হ'ল। অগ্নিত প্ৰৱেশ কৰাৰ লগে লগে হলিকাৰ সেই দিব্য বস্ত্ৰই প্ৰহ্লাদকহে মেৰিয়াই ধৰিলে। তাৰ ফলত হলিকাক অগ্নিয়ে দহন কৰিলে আৰু প্ৰহ্লাদ সুষ্ঠ শৰীৰেৰে অগ্নিকুণ্ডৰ পৰা ওলাই আহিল। হলিকায়ে বৰত লাভ কৰা শক্তি ভাল কাম নলগোৱাৰ বাবেই হলিকাৰ মৃত্যু হ'ল। সেয়ে সেই দিনটোত অপশক্তিৰ মৃত্যু হোৱাৰ আনন্দতে হলিকা দহন উৎসৱ পালন কৰে।

আনন্দ ফুৰ্তিৰ এই উৎসৱত ব্যৱহাৰ কৰা ৰঙৰ গুড়ি সমূহ কিন্তু ৰাসায়নিক দ্ৰব্য পৰা মুক্ত হ'ব লাগে। তেনে গুড়িয়ে আমাৰ শৰীৰৰ চালত বিভিন্ন ধৰণৰ ক্ষতিহে কৰিব পাৰে। তাৰ ঠাইত আগৰ দিনৰ দৰে প্ৰাকৃতিক ভাবে তৈয়াৰ কৰা ৰঙসমূহে ব্যৱহাৰ কৰাতো উচিত। সেইবোৰৰ বাবে লাগিব পলাশ, মদাৰ, শিমলু, জেতুকা, পুৰৈশাকৰ গুটি, হালধীৰ গুড়ি। এইবোৰে আমাৰ চালৰ একো অনিষ্ট নকৰে, তাৰ ঠাইত চালৰ উজ্জ্বলতাহে বৃদ্ধি কৰে । লগতে বসন্ত ৰোগৰো প্ৰতিষেধক ৰূপে কাম কৰে।

# বৰপেটাৰ হোলী উৎসৱ

নন্দ কুমাৰ

দেৱৰ দুৰ্লভ কেলি ফাগুৱ বিহাৰ।।
ফাগু পৰি শ্যাম তনু কৰে তিৰি-মিৰি
ৰবিৰ কিৰণে যেন মৰকত গিৰি।।
পুনৰ গায়—
ৰংগে ফাগু খেলে চৈতন্য বনমালী।
দুই হাতে ফাগুৰ গুৰা সিঞ্চন্ত মুৰাৰি।।

দৌল উৎসৱ সম্পৰ্কে আমাৰ সমাজতো বহুতো আখ্যান পোৱা যায়। পণ্ডিতসকলৰ মতে প্ৰথমতে ফাকুৱা আৰ্যসকলৰ উৎসৱ আছিল। পৰৱৰ্তী সময়ত এই উৎসৱ ভগৱান শ্ৰীকৃষ্ণৰ স'তে জড়িত হৈ পৰে। শ্ৰীকৃষ্ণই গোপীসকলৰ স'তে ফাকু খেলি নাচি-বাগি আনন্দ কৰিছিল। আন এক জনশ্ৰুতি মতে, হিৰণ্যকশিপুৰ ভগ্নী হোলিকাৰ নামৰ পৰাই হোলী উৎসৱৰ সৃষ্টি হৈছে। হিৰণ্যকশিপুৰ ভগ্নী হোলিকা আছিল শিৱৰ বৰপ্ৰাপ্ত। হোলিকা দাহ্য নহয় বুলি শিৱৰ বৰ লাভ কৰিছিল বাবে প্ৰহ্লাদক পুৰি মাৰিবলৈ ভাতৃৰ নিৰ্দেশ মতে এদিন শিশু প্ৰহ্লাদক কোলাত লৈ অগ্নিকুণ্ডত প্ৰৱেশ কৰিছিল। কিন্তু হোলিকা ভস্মীভূত হোৱাৰ বিপৰীতে প্ৰহ্লাদৰ প্ৰাণ ৰক্ষা পৰিছিল। আন এক জনশ্ৰুতি মতে, ফল্গু নামৰ এজন মহাপ্ৰতাপী দৈত্যই স্বৰ্গ, মৰ্ত্য, পাতালত আধিপত্য বিস্তাৰ কৰি দেৱতাসকলক নানা অত্যাচাৰ কৰিছিল। দেৱতাসকলে ফল্গু দৈত্যৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ পাবলৈ বিষ্ণুৰ শৰণাপন্ন হয়। বিষ্ণুৱে ফল্গু নিধনৰ বাবে যুদ্ধ কৰে। বিষ্ণুৰ হাতত ফল্গুৰ মৃত্যু হোৱাত আনন্দতে দেৱতাসকলে ফাগু গুড়ি খেলিছিল। আন এক জনবিশ্বাস মতে এই উৎসৱ প্ৰথমতে বৈকুণ্ঠত অনুষ্ঠিত হৈছিল। পাছত ইন্দ্ৰ আদি দেৱতাসকলে প্ৰাৰ্থনা কৰি এই উৎসৱ দেৱলোকলৈ আনে। পাছত নহুষ ৰজাৰ বংশধৰসকলে মৰ্ত্যলৈ আনি উৎসৱ অনুষ্ঠিত কৰে।

# ফাল্গুৎসৱ



মন শৰ্মা, গুৱাহাটী
কামাখ্যা

তোমাৰ মনত পৰা নাই চাগে,
ধেৎত
কি বোৰ যে ভাব আহে
পাহৰি যাওঁ
তুমি যে আনৰ
সকলো মান অভিমান
আৰু ক'ত যে আবদাৰ
সকলো আনৰ কৰি দিলা,
সেই বেদনা পৃথিৱীৰ
কঠিনতম কষ্ট
এৰিছো মনত পেলাব
তথাপিও মনত পৰে
তিনি আলিৰ তোমাৰ ঘৰৰ সন্মুখত
লগৰ বোৰৰ লগত আবিৰ লৈ
আদ্দা দিয়া সেই দিনবোৰ
আৰু তুমি ৰঙ লগোৱাৰ ভয়ত
ঘৰৰ পৰা নোলায়

খিৰিকীৰে জুমি চোৱা,
কিবা এটা ভাল লগা অনুভৱে
মন চুই গৈছিল,
আজি আবিৰ বোৰ
আবিৰ হৈয়ে থাকিল
আৰু নাই মাথোঁ তুমি
তোমাৰ ঘৰৰ সন্মুখত
এতিয়া আৰু আদ্দা নাই
আছোঁ মাথোঁ অকলশৰে
এৰি থৈ যোৱা
মৰম আৰু ভালপোৱাৰ
আবিৰ সানি ।
কি কৰিবা কোৱা
আবিৰ বোৰে ও যে
বৰকৈ আমনি কৰে
সেইদিনা বোৰ মনত পেলাই ।

# প্ৰাপ্তি

অৰূপা নাথ,গোলাঘাট



সুখ এটাৰ পাছে পাছে ঘূৰো, খেপিয়াই চাও মোৰ অস্তিত্ব।
মৃত গছৰ শিপাৰ দৰে জী উঠো বাৰম্বাৰ।
স্পৰ্শৰো কি অপূৰ্ব মাদকতা।
কি আচৰিত শক্তি।
গোটেই জীৱন জুৰি একেটা সুখতে আছন্ন মোৰ সত্বা।
যত বিচাৰো মই
মোৰ বৰ্ণিল কৈশোৰ।
স্মৃতি মোৰ প্ৰিয় শব্দ,
মোৰ হাঁহি, মোৰ চকুলো।
বিশ্বাস আৰু আস্থাৰ এখনি নিজে গঢ়া পৃথিৱী।
হওঁক লাগিলে ইলুচন বা আন কিবা
এইয়া মোৰ সুখ।
মোৰ প্ৰাপ্তি।

# ৰঙৰ উৎসৱ ফাঁকুৱা

ময়ূৰাক্ষী গগৈ




মন উতনুৱা কৰা পছোৱা জাকে
ফাগুনৰ বতৰা দিলেহি।
ৰিঙা ৰিঙা মন,
উদং পথাৰ, লঠঙা গছে
তাকেই প্ৰমাণ কৰে।
এই ৰঙীন ফাগুনৰ পূৰ্ণিমাতে হয়
ৰঙৰ উৎসৱ ফাঁকুৱা।
প্ৰান্তে প্ৰান্তে ফল্গুৎসৱৰ প্ৰস্তুতি।
দৌলযাত্ৰা, শোভাযাত্ৰা,
সমূহীয়া হোলী খেলৰ আখৰা।
নানা ৰঙী ফাঁকুৰ ৰঙেৰে
ধনী-দুখীয়া, উচ্চ-নীচ
সকলোৰে মনবোৰ ৰঙীন হৈ পৰে।
এই উৎসৱ যে ৰঙৰ উৎসৱ।
এই উৎসৱ যে সম্প্ৰীতিৰ বাৰ্তাবাহক।
আহক আমি সকলোৰে সংকল্প লওঁ
এই অশান্ত সংসাৰত
শান্তি-সম্প্ৰীতিৰে আগবাঢ়ি যোৱাৰ।

# গাৰ্হস্থ্য হিংসাত পৰকীয়া

ক'লে এটা পৰিয়ালত মহিলাসকলে পোৱা আতিশয্যৰ কথাকে মনলৈ আহে। ৰাষ্ট্ৰসংঘৰ জনসংখ্যাৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ দুই তৃতীয়াংশ বিবাহিতা মহিলাই ঘৰুৱা হিংসাৰ বলি হয়। সামগ্ৰিকভাৱে ৫৫ শতাংশতকৈ অধিক মহিলা ঘৰুৱা হিংসাৰ বলি হয়। বৰ্তমান পৰিৱেশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গাৰ্হস্থ্য হিংসাত মহিলাসকলেই যে বলি হয় সেই কথাটো মানি ল'ব পৰা নাযায়। মোৰ বোধেৰে মহিলাসকলৰ সমান্তৰালকৈ পুৰুষসকলো গাৰ্হস্থ্য হিংসাৰ বলি হয়। ইয়াৰ এটা অন্যতম কাৰণ হৈছে পৰকীয়া প্ৰেম। বৰ্তমান সময়ত সমাজৰ কিছু সংখ্যক পুৰুষ মহিলাই পৰকীয়া প্ৰেমক এক ফেশ্বন হিচাপে আকোঁৱালি লোৱা পৰিলক্ষিত হৈছে। ইয়াৰ কিছুমান কাৰণ নথকা নহয়। সম্ভাব্য কাৰণ কিছুমান আলোচনা কৰা যাওক।

১) নিসংগতা:- মানুহ এগৰাকী যেতিয়া নিসংগ হৈ পৰে, তেতিয়া মনলৈ যিকোনো ভাল বেয়া কথাই ডোলা দি যায়। যদি তেওঁ এই অকলশৰীয়া সময়খিনি নিজৰ কৰ্মৰাজীৰে নিজক আগবঢ়াই নিব নোৱাৰে আৰু তেনে দুৰ্বল সময়ত যদি কোনোবা কুঃঅভিসন্ধিৰ ব্যক্তিয়ে সুবিধা ল'ব খোঁজে তেনেহ'লে তেনে অকলশৰীয়া মহিলা বা পুৰুষে নিজৰ মনটো নিয়ন্ত্ৰণ কৰিব নোৱাৰি পৰকীয়া প্ৰেমৰ দৰে অপৰাধৰ জগতখনত প্ৰৱেশ কৰাটো একো ডাঙৰ কথা নহয়।

২) সুন্দৰতাঃ- সুন্দৰ বস্তুৰ প্ৰতি আকৰ্ষণ সকলোৰে থাকে। এই সুন্দৰ ৰূপৰ প্ৰতি আকৃষ্ট হৈ বিবাহিত পুৰুষ মহিলাই অন্য বিবাহিত বা অবিবাহিত নাৰী- পুৰুষৰ প্ৰতি আকৃষ্ট হ'ব পাৰে। অকল আকৃষ্ট হোৱাই নহয় এই আকৰ্ষণ এটা সময়ত গৈ প্ৰেমত পৰিণত হৈ পৰকীয়া প্ৰেমৰ নাম লয়।

৩) আৰ্থিক দৈন্যতাঃ- পৰকীয়া প্ৰেমৰ অন্যতম কাৰণ হ'ব পাৰে আৰ্থিক দৈন্যতা। কোনো পুৰুষ মহিলাই যদি আৰ্থিকভাৱে স্বচ্ছল নহয় অথচ তেওঁলোকৰ মনটো যদি বাৰ্হ্যিক ধুনপেচ, ৰঙ ৰূপৰ প্ৰতি বেছি আকৰ্ষণ থকা বিধৰ হয়, তেনে পুৰুষ মহিলাইও পৰকীয়া প্ৰেমক ঘটাৰ এক মাধ্যম হিচাপে ল'ব পাৰে।

৪) স্বামী- স্ত্ৰীৰ মাজৰ অত্যধিক বয়সৰ প্ৰভেদো পৰকীয়া প্ৰেমৰ কাৰক হ'ব পাৰে। আজি কালিৰ দিনত বিবাহৰ সময়ত ল'ৰা- ছোৱালীৰ বয়সক বেছি প্ৰাধান্য দিয়া দেখা নাযায়। কিন্তু এনেকৈ প্ৰাধান্য নিদিয়াৰ ফলত স্বামী- স্ত্ৰীৰ মাজৰ কোনোবা এগৰাকী যদি নিৰ্দ্দিষ্ট সময় গৈ দেখিবলৈ ইজনে সিজনতকৈ অলপ বৃদ্ধ যেন লগা হয় বা বয়সৰ প্ৰভাৱৰ ফলত যৌন আসক্তি কম হয়, তেনে পৰিস্থিতিত পুৰুষ মহিলাই অন্য পুৰুষ মহিলাৰ প্ৰতি আকৰ্ষিত হ'ব পাৰে।

৫) অত্যধিক ব্যস্ততাঃ- অত্যধিক ব্যস্ততাইয়ো মানুহৰ মন সলনি কৰি এক অপৰাধী মনৰ সৃষ্টি কৰিব পাৰে। এনেবোৰ মানুহ, যিসকলে ব্যৱসায়িক কামত পৰিয়ালৰ পৰা বহুত দিনলৈ বাহিৰত থাকিব লগা হয়, যিসকল ব্যক্তি চাকৰিৰ সংক্ৰান্তত পৰিয়ালৰ পৰা বহুত দূৰত থাকিবলগীয়া হয়। তেনেলোকৰ মাজত পৰকীয়া প্ৰেমে গা কৰি উঠে।

৬) উপযুক্ত বয়সত বিবাহ কাৰ্য্য সম্পন্ন নহ'লেও পৰকীয়া প্ৰেম নামৰ ব্যাধি বিধে লগ দিব পাৰে।

৭)অন্যান্য কাৰণঃ- অন্যান্য কাৰণৰ ভিতৰত বদ্ মেজাজি, চৰিত্ৰহীন ব্যক্তি, অত্যধিক ধন দৌলত থকা লোক, মানসিক ভাৱে নিজক নিয়ন্ত্ৰণ কৰিব নোৱাৰা লোকসকল পৰকীয়া প্ৰেমৰ দৰে অসামাজিক কামত লিপ্ত হ'ব পাৰে।

৮) ফেচবুকঃ বৰ্তমান সময়ত ফেচবুক এনেকুৱা এটা মাধ্যম হৈ পৰিছে যে ফেচবুক নচলালে যেন কিছু সংখ্যক মানুহৰ পেটলৈ ভাতেই নাযায়। ফেচবুক চলোৱা টো বেয়া কথা নহয়, যদি তাক ভাল উদ্দেশ্যত ব্যৱহাৰ কৰা হয়। কিন্তু কিছু সংখ্যক বদ্ মেজাজী পুৰুষ মহিলাই ফেচবুকক মনোৰঞ্জনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা দেখা যায়। প্ৰথমে ফেচবুকৰ জৰিয়তে বন্ধু- বান্ধৱী হিচাপে চিনাকি হৈ শেষত পুৰুষ বা মহিলাসকলে অশ্লীল ফটো, অশ্লীল ভিডিঅ' নতুবা নিজৰ অশ্লীল আলোকচিত্ৰ প্ৰেৰণ কৰি বন্ধু- বান্ধৱীৰ দৰে সুন্দৰ সম্পৰ্ক এটাক অন্য ৰূপ দিয়ে। যাক আমি পৰকীয়া প্ৰেম বুলি ক'ব পাৰোঁ। ম'বাইল ফোনৰ জৰিয়তে অশ্লীলতাক আশ্ৰয় লৈ ভিডিঅ' কলিং কৰি দৈহিক ক্ষুধা পূৰণ কৰাৰ দৰে কাৰ্য কৰাও দেখা যায়। আৰু এনেবোৰ কাৰ্যত ৪০ শতাংশ বিবাহিত মহিলা জৰিত থকাৰ কথা সমীক্ষা এটাত পোৱা গৈছে। ফেচবুকৰ জৰিয়তে কৰা এনেকুৱা প্ৰেমে যদিও দৈহিক আৰু মানসিক শান্তি দিয়ে, তথাপি কিন্তু এই প্ৰেম অবৈধ আৰু ক্ষন্তেকীয়া। এনে পৰকীয়া প্ৰেমৰ ফলত এটা সময়ত গাৰ্হস্থ্য হিংসাই জটিল ৰূপ ধাৰণ কৰে। পৰকীয়া প্ৰেমৰ ফলত গাৰ্হস্থ্য হিংসাই কি ৰূপ ধাৰণ কৰে সেই বিষয়ে তলত আলোচনা কৰা হ'ল। পৰকীয়া প্ৰেমে কিছুসময়ৰ বাবে মনোৰঞ্জন দিলেও কিন্তু এটা সময়ত সেই প্ৰেমে পতি- পত্নীৰ মাজত থকা মৰম -চেনেহ, বিশ্বাস নোহোৱা হৈ সুন্দৰ সংসাৰ এখন ধ্বংস কৰে। স্বামী যদি পৰকীয়া প্ৰেমত পৰে পত্নীৰ লগতে গোটেই পৰিয়ালটোক মিছা কথা ক'বলৈ বাধ্য হয়। এনেকৈ লাহে লাহে পত্নী তথা নিজৰ সন্তান আৰু পিতৃ মাতৃৰ মনৰ পৰা লাহে লাহে আঁতৰি যায়। নিজৰ পত্নীক বেয়া পোৱা হয়। সৰু সৰু কথাতে পত্নীক গালি- গালাজ, মাৰ ধৰ কৰিবলৈ আৰম্ভ কৰে। আৰু এটা সময়তে হয়তো পত্নীক হত্যা কৰিবলৈও কুণ্ঠাবোধ নকৰে। এনেকুৱা পুৰুষে অকল পত্নীকেই মাৰ ধৰ বা হত্যা কৰে এনে নহয়। বহুত ক্ষেত্ৰত দেখা যায় এনে বিকৃত মানসিকতাৰ পুৰুষে অকল পত্নীকেই যে মাৰ ধৰ বা হত্যা কৰে এনে নহয়, নিজৰ সন্তান, পিতৃ - মাতৃ, ভাই- ভনী আদিৰ ওপৰতো অত্যাচাৰ চলাই আৰু হত্যা কাণ্ডৰ দৰে অপৰাধ কৰে। পৰকীয়া প্ৰেমৰ বাবে পুৰুষসকলেই দোষী নহয়। বৰ্তমান সময়ত আমাৰ সমাজৰ নাৰী সকলো পিছ পৰি ৰোৱা নাই। সমীক্ষা এটাৰ পৰা পোৱা তথ্য অনুসৰি আজি- কালি চল্লিশ শতাংশ বিবাহিত মহিলাই ফেচবুক জৰিয়তে চিনাকি হৈ সেই বন্ধুৰ সৈতে ফেচবুক আৰু হোৱাটচ এপৰ জৰিয়তে পৰকীয়া প্ৰেমৰ দৰে অসামাজিক কামত লিপ্ত হয়। যাৰ ফলত কিছুমান পৰিয়ালত স্বামী স্ত্ৰীৰ মাজৰ মনোমালিন্য ঘটিবলৈ ধৰিছে। অকল মনোমালিন্যই নহয়, পতি পত্নীৰ মাজত বিবাহ বিচ্ছেদ, হত্যা, আত্মহত্যা আদিৰ দৰে অপৰাধ সঘনে ঘটিবলৈ ধৰিছে। এই পৰকীয়া প্ৰেমৰ ফল গাৰ্হস্থ্য হিংসাতে সীমাবদ্ধ হৈ নাথাকে। পৰকীয়া প্ৰেমৰ ফলত নিজৰ সন্তানৰ শিক্ষা- দীক্ষা, শাৰীৰিক, মানসিক, সামাজিক, আধ্যাত্মিক, আৰ্থিক আদি সকলো দিশৰ উন্নতিত বিৰূপ প্ৰভাৱ পৰে। আৰু এটা সময়ত মাক দেউতাকৰ এনেকুৱা কু-কৰ্মৰ ফলত নিজৰ সন্তান চোৰ, ডকাইত, ঠগ- প্ৰৱঞ্চক আদিৰ দৰে অপৰাধী হৈ সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। আৰু মদ, ভাং, বিড়ি, চিগাৰেট, ড্ৰাগছ আসক্ত হৈ নিজৰ লগতে পৰিয়াল তথা সমাজ এখন ধ্বংস কৰে।

## "ফল্গুৎসৱ"

**সুষমা গোস্বামী, যোৰহাট**



আহিল আহিল, আকৌ আহিল,  
দৌল মহোৎসৱ  
আবীৰৰ বোলেৰে, পৰাণখনি বোলাবলৈ,  
লগাই উথপ্ থপ্ ।  
হোলী গীতেৰে মুখৰিত  
সত্ৰৰ বৰ নামঘৰ ।  
গুৰুজনাৰ জন্মভূমি, বটদ্ৰবা স্থানে  
ৰঙৰ উৎসৱটি পাতিলে সৱে  
আকাশী গঙ্গাৰ পাৰতে আহি  
অতি হৰিষ মনে ।  
অস্থায়ী ভাৱেৰে সাজি উলিওৱা,  
নতুন গৃহটিত  
সুমুৱালে শ্ৰী হৰিক, নতুন বস্ত্ৰ দি।  
উৎফুল্লিত বৰদোৱা বাসী......  
প্ৰণামিলে শ্ৰী হৰিক,  
কৰি স্তুতি - নতি ।  
ঐতিহ্যপূৰ্ণ মাজুলীৰ  
গড়মূৰ সত্ৰখনিত  
মেঘ দাহ পৰ্বেৰে,  
পতাৰ আয়োজন কৰে  
ফাঁকুৱা উৎসৱটি ।  
অপাৰ কৰুণাময়  
কৰা কৃপা মধুসূদন  
অপায় - অমঙ্গল আৰু  
মাৰি - মাৰকেৰে....  
ভৰিপৰা জগতবাসীক,  
চোঁৱা চকু মেলি,  
হে প্ৰভু.....  
চোঁৱা চকু মেলি।।

## ফুল

**চম্পক বেজবৰুৱা, নলবাৰী**



অ' মাঁ চোৱাচোন  
ফুলবোৰ ফুলিছে সুগন্ধি বিলাই,  
এবাৰ ছিঙিব মন যায়  
তগৰ, নাৰ্জী, খৰিকাজাঁই ।  
নিছিঙিবা মাইনা  
চোতালখন আছে ফুলনিয়ে শুৱাই,  
ফুলবোৰে খং কৰি  
নুফুলিব দুনাই ।  
ৰ'দ ওলালে পুৱাই  
ফুলবোৰে মিচিকিয়াই,  
ফুল ফুলাৰ আনন্দত  
ভোমোৰাই গুণ গুণাই

ENGLISH NEWS SECTION

# FINER welcomes the Assam State Budget 2022-23, presented by Finance Minister, Smt.Ajanta Neog

**Guwahati, RB News:** FINER welcomes the Assam State Budget 2022-23, presented by Finance Minister, Smt.Ajanta Neog on 16 th March 2022. FINER President Shri Pabitra Buragohain specially welcomed the initiative taken by the State Government in the New Industrial and Investment Policy 2022 and said that it will immensely help in the growth of the Industries. FINER congratulates Honorable Chief Minister of Assam Dr. Himanta Biswa Sharma for the launch of the New Industrial and Investment Policy 2022 which has been announced during the budget. No doubt it is a very welcoming step for the industrial growth of the state. Hospitals, hotels and cruise services, shipbuilding and vehicle scrap processing facility will be included in industrial sector for various incentives under the new policy. With the announcement of four new road construction schemes and two major bridges over Subansiri and Luit along with 19 new road over bridges, the Government actions will boost up the integration of the society and the region as a whole and this will also economize logistics and help in better Industrial scenario of the State. Under MukhyaMantri Souro Shakti Prokolpo scheme solar power plants to be set up across the state for Rs. 4000 cr. We need to make best use of solar power generation capabilities as available in Assam. Proposal to start new scheme to facilitate cheaper air connectivity from Guwahati to Lakhimpur, Dibrugarh , Silchar and Tezpur will boost travel for social and commerce purposes. The Proposal for new airports in Karbi Anglong and Silchar, along with three new heliports at Nagaon, Geleki and Haflong. Active engagement with government of India for a Greenfield Airport at Diphu will open Diphu for industrial actions as well by MSME investors specially food processing. Assam government in its Budget for the year 2022-23 has announced to give Rs 25 crore to Gauhati University for building start-up ecosystem. It has also announced to give Rs 15 Croreeach to Assam University and Tezpur University and Silchar University and Rs 10 crore for Indian Institute of Information Technology (IIIT) Guwahati. Health is one of the major sectors in the budget 2022-23, where construction of seven new cancer hospitals, three new medical colleges and upgrading the existing healthcare is proposed. After health the key sector which taken a major place in the budget is Education. The budget balances all the sections of the society in the wake of pandemic hit economy.

# Celebration of World Consumer Day

**Guwahati, RB News:** On 15th March, in celebration of World Consumer Day, an online Portal named “eDaakhil” https://edaakhil.nic.in has been launched in Assam by Hon’ble Minister for Food Civil Supplies and Consumer Affairs, Assam, Shri Ranjeet Kr. Dass. Through this Portal, Consumers will be able to file their consumer complaints online either themselves or through their Advocate. Consumers can also pay their complaint fees online, track the status of the complaint, receive SMS & Email Alerts etc. The eDaakhil Portal has been developed by National Informatics Centre (NIC). The Launch was attended by senior FCS&CA officials and NIC Assam officials, and it was also attended over VC by NIC Delhi officials, State Consumer Commission officials and officials from all the District Consumer Courts of Assam. Dr. Suchitra Pyarelal, DDG & SIO, NIC Assam welcomed all present and spoke about the usefulness of eDaakhil and its genesis. Shri Amaranatha Mishra, DDG, NIC Delhi, spoke about the features of eDaakhil and NIC Delhi officials gave a presentation on the eDaakhil Application. On the occasion, the Hon’ble Minister said “On this World Consumer Day, we are launching a citizen-centric application named eDaakhil for consumers of Assam. This will facilitate the consumers in online filing of their consumer complaint cases themselves or through Advocates, from the comfort of their homes and offices, and consumers will no longer need to visit the consumer courts”. The Vote of Thanks was offered by Smt. Leena Das, Addl. Secretary, FCS&CA, Govt. of Assam.

# ASDMA to focus on menstrual hygiene during disaster on its llth foundation day celebration

**Guwahati, RB News:** Assam State Disaster Management Authority is all set to celebrate its 1Ift foundation day on 23'd March, 2022. The celebration will be marked by organizing a Marathon under the theme "Marathon for resilience" in order to create awareness on menstrual hygiene during disasters in Assam and provide support to women through installation of Sanitary Vending and Disposal machine. This is for the first time that ASDMA has undertaken crowd funding initiative wherein citizens are appealed to take part in the state emergency preparedness targeting women and adolescent girls. Since schools in Assam are mostly used as flood relief shelters, therefore these centers can be equipped with Sanitary Pad vending machines wherein regular supply of biodegradable pads will be maintained. Every year as a part of its foundation day celebration, the ASDMA touches upon issues that are of utmost importance in context to disaster management and mitigation and create awareness about it through various initiatives. Similarly, this year the authority has taken up the issue of Menstrual Hygiene Management during emergencies, which is an area that remain unattended in the relief measures for a long time. Access to safe and dignified menstruation is a fundamental need for women and adolescent girls. However due to various constrains this vulnerable group remain deprived of the basic needs related to menstrual hygiene. Especially in rural areas of the state, menstruation is considered as a taboo induced with stigma, which limits discussion thereby creating a barrier on information exchanged. This act as a constrain to the development of a community which is informed and aware on the culture of safety. Assam State Disaster Management Authority (ASDMA) envisions a firture where every girl can leam, play, and safeguard her own health without experiencing stress, shame, or unnecessary barriers to information or supplies during menstruation. The idea of crowd funding initiative has been undertaken in order to engage the citizen and sensitize them about the importance and impact of Menstrual Hygiene Management. At the same time this will instill a sense of ownership among the community in order to ensure proper management and use of the Sanitary Vending and Disposal Machines and also to maintain sustainability of the activity. Thus, a minimum registration fee of Rs. 100/- will be charged from the participants during registration for the marathon and the fund generated will be utilized forthe installation of the Sanitary Vending and Disposal Machines at the flood shelters. People of any age group can participate in the marathon by registering online from ASDMA website. The marathon will start at 6am in the moming on 23'd of March from ASDMA headquarters in Dispur and the participants will have to cover 10km distance from Assam Secretariat to Ulubari Flyover and back to Assam Secretariat.

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৫ চ'ত, ১৪২৭ চন Rongili Barta, Date of Publication-- 20 March, 2022

## Beauty of the Week




**Krishnakhi Hazarika, Nagaon**

## Photography of the Week



**Kritidipta goswami**



## তুমি যৌৱনৰ পাখিলাহি পখিলা

(১)
তুমি যৌৱনৰ পাখিলাহি পখিলা
মোৰ বুকুত দিবানিশা সাৰে থকা
এক মিঠা কল্পনা
তুমি এসাগৰ বিশাল মৰমেৰে
বন্ধুত্বৰ মূৰ্ত প্ৰকাশ
সেয়ে তুমি শৰতৰ শেৱালি নোহোৱা
যি ৰাতিতেই এবাৰেই ফুলি সৰি পৰিবলৈ
আজন্ম প্ৰেমিক তুমি
কুলুকুলুকৈ বোৱাই থাকা
মৰম নদী নিৰৱধি.....

(২)
তৰাবোৰে জ্বলি জ্বলি
আকাশখন খামুচি ধৰাৰ দৰে
তোমাৰ বৰ্ণবোৰে খামোছে
মোৰ হৃদয় আকাশ
জোন হৈ জিলিকে তোমাৰ মুখনি
ৰাতিটোৰ বাধাহীন মনটো
নেদেখা সীমালৈকে প্ৰসাৰিত হয়.....
প্ৰসাৰিত হয় নেদেখা সীমালৈকে
তোমাৰ উঠন বুকুত সদায়ে ধাৰণ কৰা
এটি তেজাল বেলি
যি তিনিশ পয়ষ্ঠী দিনেই পোহৰায়
মোৰ মনাকাশ...
কল্পনাৰ ঘৰটি ও উঠে উজ্বলি
তুমি যে প্ৰেমৰ আৱাহনী প্ৰতিমা
মই তাৰে এক অনামী পূজাৰী.....

**মৃগাংক বৰুৱা, গোলাঘাট**

**Beauty of the Week** **Art of the Week**
আৰু · **Photography of the Week** লৈ
আপোনালোকৰ ফটোবোৰ আমালৈ E-mail যোগে প্ৰেৰণ কৰক
E-mail-
rongilibartamedhi@gmail.com
Whatsapp - 9854215286



**Kabyashree goswami**

ৰঙিলী বাৰ্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286